## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kolkata (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৭/১১ সপ্তম বছৰ একাদশ সংখ্যা


| বিষয় | পিঠি |
|---|---|
| প্ৰিয়তম | ৫৪৫ |
| সং সঙ্ঘৰ আৱশ্যকতা | ৫৪৬ |
| সম্পাদকৰ চৰা | ৫৫৩ |
| নিবেদন | ৫৬৯ |
| বেজবৰুৱাৰ "প্ৰত্নতত্ত্ব" প্ৰতিবাদ | ৫৭২ |
| দিল্লীত দিন দিয়েক | ৫৭৪ |
| আসাম এচোচিয়েচনৰ আগত এটি প্ৰস্তাৱ | ৫৭৯ |
| স্বৰ্গীয় ঘনশ্যাম খাৰঘৰীয়া ফুকন | ৫৮৫ |
| কৃত্ৰিম তেজ | ৫৯১ |

# প্ৰিয়তম।

গোলাপ ফুলৰ ৰেণুৰে বোলোৱা
    দুখনি তোমাৰ গাল।
নীলাকাশ যেন নিৰ্ম্মল দুচকু
    মোৰ লাগে বৰ ভাল।

শিৰীষৰ পাত সৰি পৰি গল,
    আহঁতৰ ওলাল কুঁহি;
দুখ বং মোৰ একো নাই তাত;—
    তোমাৰ অনন্ত হাঁহি।

ধৰমৰ পতাকা নৈ ফুৰাবোৰে
    লভক যি কৰে আশ;
তোমাৰ অৰুণ চৰণ তলত
    মোক দিয়া মাথোঁ বাস।

নৈ বৈ যায়, কুল্ কুল্ গাই,
    অনন্ত জলধি মুখে;
পাৰতে বহি মোক তোমাৰে ৰাগিণী
    গাব দিয়া মহাসুখে।

অনেক ভৰিছোঁ, অনেক লভিছোঁ,
    হৰিষ বিষাদ নাই।
হিচাপ-কিতাপ নাৰাখোঁ হাতত,
    দিয়া কাষত ঠাই॥

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

# সৎসঙ্গৰ আৱশ্যকতা।

বৃহদাৰণ্যকোপনিষদত যাজ্ঞবল্ক্য ঋষিয়ে তেওঁৰ পত্নী মৈত্ৰেয়ীক উপদেশ দিছে, যে "সহোবাচ ন বা অৰে পত্যুঃ কামায় পতিঃ প্ৰিয়ো ভবত্যাত্মনস্তু কামায় পতিঃ প্ৰিয়ো ভবতি ন বা অৰে জায়ায়ৈ কামায় জায়াপ্ৰিয়া ভবত্যাত্মনস্তু কামায় জায়া প্ৰিয়া ভবতি ন বা অৰে পুত্ৰাণাং কামায় পুত্ৰাঃ প্ৰিয়া ভবন্ত্যাত্মনস্তু কামায় পুত্ৰাঃ প্ৰিয়া ভবন্তি ন বা অৰে বিত্তস্য কামায় বিত্তং প্ৰিয়ং ভবত্যাত্মনস্তু কামায় বিত্তং প্ৰিয়ং ভবতি ন বা অৰে ব্ৰহ্মণঃ কামায় ব্ৰহ্ম প্ৰিয়ং ভবত্যাত্মনস্তু কামায় ব্ৰহ্ম প্ৰিয়ং ভবতি ন বা অৰে ক্ষত্ৰস্য কামায় ক্ষত্ৰং প্ৰিয়ং ভবত্যাত্মনস্তু কামায় ক্ষত্ৰং প্ৰিয়ং ভবতি ন বা অৰে লোকানং কামায় লোকাঃ প্ৰিয়া ভবন্ত্যাত্মানস্তু কামায় লোকাঃ প্ৰিয়া ভবন্তি ন বা অৰে দেবানাং কামায় দেবাঃ প্ৰিয়া ভবন্ত্যাত্মনস্তু কামায় দেবাঃ প্ৰিয়া ভবন্তি ন বা অৰে ভূতানাং কামায় ভূতানি প্ৰিয়ানি ভবন্ত্যাত্মনস্তু কামায় ভূতানি প্ৰিয়ানি ভবন্তি ন বা অৰে সৰ্ব্বস্য কামায় সৰ্ব্বং প্ৰিয়ং ভবত্যাত্মনস্তু কামায় সৰ্ব্বং প্ৰিয়ং ভবত্যাত্মা বা অৰে দ্ৰষ্টব্যঃ শ্ৰোতব্যো মন্তব্যো নিদিধ্যাসিতব্যো মৈত্ৰেয়্যাত্মনো বা অৰে দৰ্শনেন শ্ৰৱণেন মত্যা বিজ্ঞানেনেদং সৰ্ব্বং বিদিতম্॥"৫ শ্লোক ৪ৰ্থ ব্ৰাহ্মণ ২য় অধ্যায়, যাজ্ঞবল্ক্যই কলে, হে মৈত্ৰেয়ি, পতিৰ নিমিত্তে পতিক প্ৰিয়জ্ঞানে কামনা কৰিলে পতি প্ৰিয় নহয়; কিন্তু আত্মাৰ নিমিত্তে অৰ্থাৎ আত্মাক প্ৰিয় জানি আত্ম-তুষ্টিৰ নিমিত্তে পতি কামনা কৰিলে পতি প্ৰিয় হয়। জায়াৰ (স্ত্ৰী) নিমিত্তে জায়াক কামনা কৰিলে জায়া প্ৰিয় নহয় কিন্তু আত্মাৰ নিমিত্তে জায়া কামনা কৰিলে জায়া প্ৰিয় হয়। পুত্ৰৰ নিমিত্তে পুত্ৰ কামনা কৰিলে পুত্ৰ প্ৰিয় নহয় কিন্তু আত্মাৰ নিমিত্তে পুত্ৰ কামনা কৰিলে পুত্ৰ প্ৰিয় হয়। বিত্তৰ নিমিত্তে বিত্ত কামনা কৰিলে বিত্ত প্ৰিয় নহয়, কিন্তু আত্মাৰ নিমিত্তে বিত্ত কামনা কৰিলে বিত্ত প্ৰিয় হয়। ব্ৰাহ্মণৰ নিমিত্তে ব্ৰাহ্মণ কামনা কৰিলে ব্ৰাহ্মণ প্ৰিয় নহয়, কিন্তু আত্মাৰ নিমিত্তে ব্ৰাহ্মণক কামনা কৰিলে ব্ৰাহ্মণ প্ৰিয় হয়। ক্ষত্ৰিয়ৰ নিমিত্তে ক্ষত্ৰিয় কামনা কৰিলে ক্ষত্ৰিয় প্ৰিয় নহয়, কিন্তু আত্মাৰ নিমিত্তে ক্ষত্ৰিয় কামনা কৰিলে ক্ষত্ৰিয় প্ৰিয় হয়। ত্ৰিলোকৰ নিমিত্তে ত্ৰিলোক কামনা কৰিলে প্ৰিয় নহয় কিন্তু আত্মাৰ নিমিত্তে ত্ৰিলোক কামনা কৰিলে প্ৰিয় হয়। দেৱতাৰ নিমিত্তে দেৱতা কামনা কৰিলে দেৱতা প্ৰিয় নহয় কিন্তু আত্মাৰ নিমিত্তে দেৱতা কামনা কৰিলে দেৱতা প্ৰিয় হয়। ভূতৰ (পঞ্চভূত) নিমিত্তে ভূত কামনা কৰিলে ভূত প্ৰিয় নহয়, কিন্তু আত্মাৰ



নিমিত্তে ভূত কামনা কৰিলে ভূত প্ৰিয় হয়। এই ৰকমে আৰু যি কোনো বস্তুৱেই হওক সেই সকলোৰে নিমিত্তে সিইতক কামনা কৰিলে, সেইবিলাক প্ৰিয় নহয়, কিন্তু আত্মাৰ নিমিত্তে যি কিছু কামনা কৰা যায় সিয়েই প্ৰিয় হয়। হে মৈত্ৰেয়ী, এই আত্মাই দৰ্শনীয়, শ্ৰৱণীয়, চিন্তনীয়, অন্তৰত ধ্যেয়; কিয়নো এই আত্মাক দৰ্শন কৰি, তেওঁৰ বিষয় শুনি আৰু তেওঁক মনন কৰি জীৱই তেওঁক জানিলে, জীৱৰ যি কিছু জানিবৰ বিষয় আছে, সকলোকেই জনা হয়। এই উপদেশৰ অলপ পূৰ্ব্বতে মৈত্ৰেয়ীয়ে যাজ্ঞবল্কক সুধিছে যে "সাহোবাচ মৈত্ৰেয়ী যন্নু ম ইয়ং ভগোঃ সৰ্ব্বা পৃথিবী বিত্তেন পূৰ্ণা স্যাৎ কথং তেনামৃতা স্যামিতি। নেতি হোবাচ যাজ্ঞবল্ক্যো যথৈবোপকৰণবতাং জীবিতং তথৈব তে জীবিতং স্যদমৃতত্বস্য তু না শাস্তি বিত্তেনেতি ২ শ্লোক ৪ৰ্থ ব্ৰাহ্মণ ২য় অধ্যায়। যদি ধনেৰে পৰিপূৰ্ণ এই গোটেই পৃথিৱী মোৰ হয়, তেন্তে তাৰে সৈতে মই অমৰ হব পাৰোনে? যাজ্ঞবল্ক্যই উত্তৰ কৰিলে, নোৱাৰা। ধনীসকলৰ জীৱন যেনে, ধনেৰে সৈতে তোমাৰ জীৱনো তেনেই হব। ধনৰে সৈতে অমৃতত্ব পোৱাৰ আশা নাই"। ইয়াত কৈছে যে যি বস্তুত এই দৃশ্যমান প্ৰাণ, মন, দেহ আৰু ইন্দ্ৰিয় প্ৰতিষ্ঠিত আৰু যাৰ স্বৰূপ চ্যুতিত প্ৰকৃতিৰ বিকৃতি ঘটিলে, শৰীৰে বাহিৰৰ বস্তুবিলাক গ্ৰহণ কৰি নিজৰ শৰীৰৰ সৌন্দৰ্য্যবৰ্দ্ধন কৰিব নোৱাৰে, আৰু যি নিয়ম পালন কৰিলে স্বৰূপত থাকি বাহিৰৰ সকলো বস্তু শৰীৰত বান্ধি ৰাখিব পাৰিব তাকে কৰা। আৰু সেই বস্তুটি প্ৰকৃতিযুক্ত আত্মা। সেই আত্মাৰ প্ৰকৃতি স্বৰূপৰপৰা বিচ্যুত হলে শৰীৰক যথানিয়মে ধৰি ৰাখিব নোৱাৰে আৰু যথানিয়মে ধাৰণা কৰিব নোৱাৰিলে বৰষুণত উকথা ঘৰৰ দৰে শৰীৰ পচি যায়। বৰষুণত ঘৰ উকখিলে ঘৰৰ ভিতৰৰ ঠাইবিলাক যেকে আৰু যিসকল লোকে সেই ঘৰৰ ভিতৰত থাকে সিবিলাকে উকথনী পানীত তিতি কষ্ট ভোগ কৰে। ঘৰৰ ভিতৰৰ ঠাই যেনে মানুহৰ বাসস্থান, শৰীৰৰ ভিতৰো তেনে জীৱাত্মাৰ বাস-স্থান। বৰষুণৰ পানীত ঘৰ পচাৰ দৰে পাপত শৰীৰ পচিলে জীৱাত্মাই নানা কষ্ট ভোগ কৰে আৰু বিকাশ লাভ কৰা দূৰৈত থাওক দিনে দিনে অধোগামী হয় আৰু যি যি বস্তু জীৱাত্মাৰ উন্নতিৰ অনুকূল তাকো গ্ৰহণ কৰিব নোৱাৰে আৰু গ্ৰহণ কৰিলেও তাৰপৰা কোনো উপকাৰ নহয়। ঘৰ বৰষুণত পচিলে বাহিৰৰ বস্তু আনি ভিতৰত থলে সেই বস্তুও পচি যায়। যেনেকৈ বৰ ৰুগীয়াৰ আগত খাবৰ নিমিত্তে ইনিষ্ট নিঠাই আৰু পলায় প্ৰভৃতি বস্তু ৰাখিলে একো লাভ নাই। যি সেই বস্তু

বিলাক খাব নোৱাৰিব আৰু মুখৰ লোভ সামৰিব নোৱাৰি যদি বা খাওঁ পেটত হজম হৈ সেই বস্তুবিলাকে শৰীৰৰ শ্ৰীবৰ্দ্ধন আৰু অঙ্গ প্ৰত্যঙ্গবিলাক বলযুক্ত কৰিব নোৱাৰিব, বৰং সেই বস্তুবিলাক পেটত পচি শৰীৰৰ আৰু অপকাৰ কৰিব। কিন্তু সুস্থ শৰীৰত যদি সেই বস্তুবিলাক খোৱা যায় তেন্তে সেই বস্তুৱে শৰীৰৰ শ্ৰীবৰ্দ্ধন কৰিব আৰু অঙ্গ প্ৰত্যঙ্গতো বল দিব। বস্তুবিলাক আমাৰ নিমিত্তে উপকাৰী হলেই আদৰণীয় হয়। যদি আমাৰ উপকাৰী নহয় তেন্তে অনাদৰণীয় হয়। সেই বুলিয়েই যে বস্তু বিলাক তাৰ নিমিত্তে দায়ী এনে নহয়। জ্বৰ হলে শৰীৰৰ প্ৰকৃতি বিকৃতি হৈ মুখ অৰুচি হয়। যি আহাৰ কৰা যায় মুখৰ অৰুচি বশতঃ বিস্বাদ লাগিব কিন্তু এজন সুস্থ শৰীৰৰ মানুহে সেই আহাৰত সোৱাদ পাব আৰু সেই আহাৰে তেওঁৰ শৰীৰৰ সৌন্দৰ্য্যবৰ্দ্ধন কৰি শৰীৰ বলিষ্ঠ কৰিব। বাস্তবিক মতে জগতৰ যাৱত য় বস্তু অভিপ্ৰায় অনুসাৰে যদি ব্যৱহাৰ কৰা যায় তেন্তে সকলোৱেই ভাল। কেৱল আমাৰ প্ৰকৃতি বিকৃতি হোৱাৰ গতিকে বস্তুবিলাকৰ যথাৰ্থ স্বৰূপ গ্ৰহণ কৰিব নোৱাৰি বস্তুৰ ওপৰত দোষাৰোপ কৰোঁহক। যি বস্তু যি কাৰ্য্য উৎপাদন কৰিবৰ নিমিত্তে সৃষ্ট হৈছে সেই বস্তুৱেও সেই শৰীৰত সেই কাৰ্য্য উৎপাদন কৰিব নোৱাৰে তাৰ নিমিত্তে বস্তুবিলাক দায়ী নহয় আমি হে দায়ী। ইন্দ্ৰিয়ৰ অত্যাচাৰত আৰু পাশৱিক আচাৰত আমাৰ প্ৰকৃত বিকৃত হৈ শৰীৰৰ অঙ্গপ্ৰত্যঙ্গবিলাক অৱশ হোৱাৰ গতিকে বস্তুবিলাকৰ যেনে ব্যৱহাৰ কৰিলে ভাল হয় আমি তাক কৰিবলৈ অপাৰগ হও। এই বস্তুবিলাক শৰীৰত ধৰি ৰাখিবৰ নিমিত্তে যি নিয়ম এতিয়া চলিছে বা পূৰ্ব্বতন ঋষি সকলে চলাই গৈছে তাক আলোচনা কৰি দেখাত ইয়াকে পোৱা যায় যে সকলোত কৰি আগেয়ে আত্ম-প্ৰকৃতিক স্ব-স্বৰূপস্থ কৰিব লাগিব। সেই আত্মপ্ৰকৃতি স্ব-স্বৰূপস্থ হলেই শৰীৰৰ সকলো অঙ্গপ্ৰত্যঙ্গ সৰ্ব্বতোভাৱে সুস্থ থাকিব। সেই আত্মপ্ৰকৃতিক স্ব-স্বৰূপস্থ কৰাৰ বিধান হৈছে মূল উৎপত্তি স্থানৰে সৈতে সংযোগ ৰখা। এই দৃশ্যমান জড় শৰীৰত ক্ষিতি, অপ, তেজ, মৰুৎ আৰু ব্যোম আছে; তথাপি ইয়াৰ স্থিতি আৰু বৃদ্ধিৰ নিমিত্তে বাহিৰৰ শুদ্ধ আহাৰ, শুদ্ধ বায়ু আৰু বিশুদ্ধ আকাশ ও প্ৰয়োজনীয় আৰু সেইবিলাকেৰে সৈতে সম্বন্ধ ৰহিত হলে শৰীৰ শুকাই গৈ কাৰ্য্য কৰিবৰ অক্ষম হৈ মৰি যায়। তেনেকৈ শৰীৰৰ ভিতৰতৰি সূক্ষ্ম শৰীৰ আছে আৰু যাত এই জড় শৰীৰ প্ৰতিষ্ঠিত প্ৰেমভক্তিৰূপ সম্বন্ধৰে ঈশ্বৰৰ সৈতে সম্বন্ধ ৰাখিব নোৱাৰিলে সেই সূক্ষ্ম শৰীৰ এই জড় শৰীৰ ধাৰণ কৰি-



বলৈ অসমৰ্থ হয়। সেই মূল শৰীৰৰপৰা প্ৰেমভক্তিৰূপ ৰস প্ৰবাহিত হৈ সমস্ত প্ৰকৃতিত সঞ্চাৰিত হলে প্ৰকৃতিক সবল আৰু সুস্থ ৰাখে। মূল উৎপত্তি স্থান হৈছে ঈশ্বৰ। মূল গছেৰে সৈতে গছৰ সমস্ত ডাল পত্ৰৰ সম্বন্ধ। গছৰ মূলৰপৰা সমস্ত ডাল পাত্ৰত ৰস সঞ্চালিত হৈ থাকিলে গছৰ ডাল পত্ৰবিলাকৰ সৌন্দৰ্য্যবৰ্দ্ধন হৈ ফলবান হয় কিন্তু যদি কোনো এটা ডাল গছৰপৰা কটা পৰে তেন্তে গছৰ ৰস সেই ডালৰ ঠাল পত্ৰলৈ সঞ্চাৰিত হব নোৱাৰে আৰু ৰসৰ সঞ্চাৰণৰ অভাৱত সেই গছৰ ডালে ফুল-ফল দিয়া দূৰৈত থাওক অকামিলা হৈ শুকাই যায়। এতিয়া পৰমাত্মাক যদি গছৰ স্বৰূপে ধৰা যায় তেন্তে আকাশ, চন্দ্ৰ, সূৰ্য্য, গ্ৰহ, নক্ষত্ৰ, পৰ্ব্বত, নদী, হাতী, সিংহ, ব্যাঘ্ৰ আৰু মানুহ সমস্তবিলাকেই সেই গছৰ ডাল, পাত, ছাল ইত্যাদি। আমি যিমান দিনলৈকে তেওঁত সংযুক্ত থাকিব পাৰিম তেতিয়ালৈকে আমি তেওঁৰ ৰসত ৰসবান হৈ জীয়াই থাকিম, আৰু সংসাৰত প্ৰতিষ্ঠা লাভ কৰিব পাৰিম। কিন্তু তেওঁত যেতিয়াই আমাৰ সন্দেহ হব আৰু পাপ আৰু অবিশ্বাস ৰূপ অস্ত্ৰদ্বাৰা তেওঁৰপৰা কটা পৰি বিচ্ছিন্ন হম তেতিয়াৰ পৰা সংসাৰত অকামিলা হৈ পৰিম। যি নিয়মৰ দ্বাৰাই ঈশ্বৰত সংযুক্ত থাকিব পাৰিম সেইয়েই ধৰ্ম্ম। ধৰ্ম্মত থাকিলেই আমি প্ৰকৃতিৰ উৎকৰ্ষ সাধন কৰিব পাৰিম। প্ৰকৃতিৰ উৎকৰ্ষ সাধন কৰিব পাৰিলেই শৰীৰৰ সৰ্ব্বাঙ্গ সুস্থ আৰু বলৱান হব। অঙ্গপ্ৰত্যঙ্গবিলাক বলবান হলেই বস্তুৰ স্বৰূপ যথাৰ্থৰূপে বুজি অভিপ্ৰায় অনুসাৰে ব্যৱহাৰ কৰিব পৰা যাব। আৰু বস্তুবিলাক অভিপ্ৰায় অনুসাৰে ব্যৱহাৰ কৰিব পাৰিলেই আমাৰ শ্ৰীবৃদ্ধি হব। দেখা গৈছে যে এইবিলাক অনুষ্ঠানৰ নিমিত্তে ধৰ্ম্ম সকলোৰে আদি মূল। এতিয়া ধৰ্ম্মৰ যথাৰ্থ অৰ্থ কি তাক বিশ্লেষণ কৰি দেখা যাওক। ধৰ্ম্ম ( ধৃ পোষণ কৰা + ম ) যি সকলো মানুহকে পোষণ কৰে। অভিধান মতে—সৎসঙ্গ। দীপিকামতে—পুৰুষৰ বিহিত ক্ৰিয়াসাধ্য গুণকে ধৰ্ম্ম বোলে। ভাৰত মতে—ধৰ্ম্মৰ লক্ষণ অহিংসা। পুৰাণ মতে—যিহৰ দ্বাৰাই লোকস্থিতি বিহিত হয় তাৰ নাম ধৰ্ম্ম। যুক্তিবাদী মতে—মানুহৰ যি কৰা উচিত তাক সম্পাদন কৰাকে ধৰ্ম্ম বোলে। জ্ঞানবাদী মতে—মনৰ যি প্ৰবৃত্তিৰ দ্বাৰাই বিশ্ববিধাতা পৰমাত্মাৰ প্ৰতি ভক্তি জন্মে তাৰ নাম ধৰ্ম্ম। তেনে হলে মানুহৰ ধৰ্ম্ম কি? যি লৈ মনুষ্যত্ব, সেইয়ে মানুহৰ ধৰ্ম্ম। মানুহৰ শৰীৰ আছে, আৰু মন আছে। এই শৰীৰেই বা কি আৰু মনেই বা কি? শৰীৰ কিছুমান

জড়পদাৰ্থৰ সমষ্টি, তাত কিছুমান শক্তি আছে। এই শক্তিবিলাক শৰীৰৰপৰা তিৰোহিত হলে, মনুষ্যত্ব নেথাকে; কিয়নো মানুহৰ মৃত দেহত মনুষ্যত্ব আছে, এনে কথা কোৱা নেযায়। তেনে হলেই জড়পদাৰ্থক এড়ি দিব লাগিব। আৰু সেই দৈহিকীশক্তিবিলাকেই মনুষ্য শৰীৰৰ প্ৰকৃত উপাদান। ইয়াৰ নাম "শাৰীৰিকী বৃত্তি"। মানুহৰ মনো এই ৰকমে শক্তি বা বৃত্তিৰ সমষ্টি। আৰু সেইবিলাকৰ নাম মানসিক বৃত্তি আৰু দেখা গৈছে যে এই শাৰীৰিক আৰু মানসিক বৃত্তি লৈয়েই মানুহ বা মানুহৰ মনুষ্যত্ব। আৰ সেই বৃত্তিবিলাকৰ বিহিত অনুশীলনেই মানুহৰ ধৰ্ম্ম। সকলো মতেই প্ৰকৃতিৰ উৎকৰ্ষ সাধন কৰিবৰ নিমিত্তে ধৰ্ম্মৰ আৱশ্যক। শাৰীৰিকী আৰু মানসিকী বৃত্তিৰ স্ফুৰণ হলেই প্ৰকৃতিৰ উৎকৰ্ষ সাধন হয়। মনু-সংহিতাৰ মতেও ধৃতিঃ ক্ষমা দমোঽস্তেয়ং শৌচমিন্দ্ৰিয় নিগ্ৰহঃ। ধীৰ্বিদ্যা সত্যম-ক্ৰোধো দশকং ধৰ্ম্ম লক্ষণং॥ (৯২ শ্লোক ৬ষ্ঠ অধ্যায় মনুসংহিতা)। (ধৃতি) ধৈৰ্য্য, (ক্ষমা) অপকাৰীৰ প্ৰতি অপকাৰ নকৰা, (দম) বিষয় সংসৰ্গতো মনৰ অবিকাৰ, (অস্তেয়) অন্যায় কৰি পৰধন হৰণ নকৰা, (শৌচ) মৃত্তিকা আৰু জলেৰে শাস্ত্ৰসম্মত মতে দেহ শোধন, (ইন্দ্ৰিয় নিগ্ৰহ) বিষয়ৰপৰা ইন্দ্ৰিয়াকৰ্ষণ, (ধী) শাস্ত্ৰতত্বজ্ঞান, (সত্য) যথাৰ্থ কথন, (অক্ৰোধ) ক্ৰোধৰ কাৰণ সত্বেও ক্ৰোধ নকৰা। এই বিষয়বিলাক অনুশীলন আৰু অভ্যাস কৰিব লাগিব। অনু-শীলন নকৰিলে পৃথিৱীৰ কোনো কাৰ্য্যই সিদ্ধি নহয়। অনুশীলনৰ অৰ্থ (অনু-শীল্ একাগ্ৰ প্ৰবৃত্ত হোৱা+অনট্ ভাববাচ্যে) পুনঃ পুনঃ আলোচন, অভ্যাস, আন্দোলন, আৰু অনুক্ষণ সেৱা। যেনে, আনুকূল্যেন কৃষ্ণানুশীলনং ভক্তিৰুত্তমা। এই অনু-শীলনত শক্তিৰ স্ফুৰণ বা বিকাশ হয়। অভ্যাসৰ ফল শক্তিৰ বিকাৰ। অনুশীলনত শেষত সুখ হয়। অভ্যাসত শেষত সহিষ্ণুতা হয়। শৰীৰ আৰু মন দুইটি পৃথক বস্তু আৰু দুইটিৰে পৃথক পৃথক ক্ৰিয়া আছে। আৰু কাজেকাজেই সেইবিলাক বিশেষ বিশেষ ক্ৰিয়াৰ সম্পাদনকাৰিণী বিশেষ বিশেষ শক্তি আছে। কিয়নো এই সকলো ক্ৰিয়া শক্তিৰ মূল একে হলেও কাৰ্য্যতঃ এইবিলাকৰ মাজত পাৰ্থক্য দেখা যায়। যি অন্ধ, সি দেখিবলৈ নেপায়, কিন্তু শব্দ শুনিবলৈ পায়; যি কলা সি শব্দ শুনিবলৈ নেপায়, কিন্তু চকুৰে দেখিবলৈ পায়। কোনো লোকে একো মনত ৰাখিব নোৱাৰে কিন্তু তেওঁ লাগে যদি উত্তম কল্পনাকাৰী কৰি। আৰু কোনো লোকে কল্পনা কৰিব নোৱাৰে কিন্তু লাগে যদি বৰ মেধাবী। কোনো ঈশ্বৰত



ভক্তিশূন্য, কিন্তু তেওঁ লাগিলে লোকক বৰ দয়া কৰে, আৰু কোনো নিষ্ঠুৰ প্ৰকৃতিৰ মানুহকো ঈশ্বৰত অল্প ভক্তি থকা দেখা যায়। কাজে কাজেই দেহ আৰু মনৰ বেলেগ বেলেগ শক্তি আছে। এই শক্তি বা বৃত্তিৰ স্ফুৰণৰ নিমিত্তে অনুশীলনৰ দৰকাৰ। যি বৃত্তি বা শক্তি তোমাৰ মনত বা শৰীৰত নীচ অৱস্থাত আছে সৎ-সঙ্গত বা কোনো আদৰ্শবান পুৰুষৰপৰা সেই বৃত্তিৰ স্ফুৰণ বা বিকাশ কৰা আৱশ্যক। অনুশীলনে মানৱ বৃত্তিৰ উৎকৰ্ষ সাধন কৰে। বৃত্তিবিলাকৰ স্ফুৰণৰ নিমিত্তে উপযুক্ত ধৰ্ম্মোপদেশক আৰু ধৰ্ম্ম শাস্ত্ৰৰ সহায় আৰু সাধু সমাগম বা সভাৰ আশ্ৰয় লোৱা আৱশ্যক। বটবৃক্ষৰ বা আন বৃক্ষৰ অঙ্কুৰ বা বীজ যেনেকৈ সময়ত প্ৰকাণ্ড গছ হৈ উঠে এই বৃত্তিও কালত স্ফুৰণ হৈ বিশেষ কাৰ্য্য কৰে। মাটি খান্দা প্ৰথমে দেখিবা এটি অতি ক্ষুদ্ৰ, অদৃশ্যপ্ৰায় অঙ্কুৰ। শেষত সেই অঙ্কুৰেই প্ৰকাণ্ড বৃক্ষ। কিন্তু তাৰ নিমিত্তে কৰ্ষণৰ আৱশ্যক হব। ভাল মাটি, পানী আৰু তাপ লাগিব, ঠাই চেচুক হব নেলাগিব, আৰু যি বস্তুৰে সেই বৃক্ষ-শৰীৰৰ পোষণ কৰিব, যেনে জলকীয়াৰ ছাইৰ সাৰ, কুহিয়াৰত গোবৰ আৰু খলিহই সাৰ, মালভোগ কলত জাবৰৰ সাৰ; যি জাতীয় বৃক্ষত যি জাতীয় সাৰ আৱশ্যক সেই জাতীয় সাৰ সেই মাটিত থাকিব লাগিব। যদি নেথাকে আন ঠাইৰপৰা সেই জাতীয় সাৰ আনি মাটিত দিব লাগিব, বেৰিব লাগিব, আৰু তাৰ ওচৰত যদি আন বন গজে যি বনে সেই মাটিৰ সাৰ চুহিলে সেই বৃক্ষ সাৰৰ অভাৱত শুকায় যায় বা মৰে তাক তুলি তাৰপৰা আঁতৰ কৰি দিব লাগিব, তেনে হলে সেই অঙ্কুৰ কালত প্ৰকাণ্ড গছ হৈ উঠিব। এই দৰেই উপযুক্ত অনুশীলন পালে আমাৰ প্ৰকৃতিৰ শাৰীৰিকী ও মানসিকী বৃত্তিৰ স্ফুৰণ হৈ আমি অসীম বলশালী হৈ সমস্ত কাৰ্য্যৰ নিমিত্তে উপ-যোগী হম। এই নিমিত্তেই ধৰ্ম্ম অনুষ্ঠানৰ আৱশ্যক। ধৰ্ম্মসভা আৰু ধৰ্ম্মপ্ৰবৰ্ত্তক সকল সৎসঙ্গ। সেই সৎসঙ্গত পৰস্পৰৰ মনৰ ভাব অনুশীলন কৰিব লাগিব। অনু-শীলনৰ দ্বাৰাই যি বৃত্তি যি ভাৱে পৰিচালনা কৰিলে তাৰ অপকৰ্ষ ভাব দূৰ হৈ উৎকৰ্ষ ভাব হয় সেই ভাববিলাক আৰু যি কাৰ্য্য কৰিলে সেই উৎকৰ্ষ ভাৱৰ উদয় হয় সেই কাৰ্য্যবিলাক বাৰে বাৰে অভ্যাস কৰিব লাগিব। অভ্যাস মানুহৰ মিত্ৰ আৰু শত্ৰুও। আমি সৰু কালৰেপৰা আখৰ লিখিবলৈ অভ্যাস কৰি কৰি এতিয়া ক্ষিপ্ৰ হস্তেৰে লেখিব পৰা হৈছোঁ। প্ৰথমতে আখৰ লেখোতে আখৰত আমাৰ হাত ধৰি দিছিল। কিন্তু এতিয়া আমি ইমান খৰকৈ লেখিব পাৰোঁ যে

কোনো দিনে কোনো কালে নেলেখা মানুহে আমাক লেখা দেখিলে তধা লাগি থাকিব। চিত্ৰকৰে চিত্ৰ অঙ্কিত কৰাত, বন্দুক মৰাই লক্ষ্যভেদ কৰাত অভ্যস্ত হওঁতে হওঁতে অৱশেষত সিদ্ধহস্ত হয় গৈ। ভাল কাৰ্য্যতো প্ৰথমে হাত ধৰে, শেষত অভ্যাস হলে আপোনাআপুনি কাম হৈ যায়। তেনেকৈ প্ৰথমে পাপ কাৰ্য্য কৰিবলৈ যাওঁতে, বিবেকে বুকুত ধপ্ ধপ্ কৰি মাৰি ভয় দেখুৱাত পাপকাৰ্য্য কৰাত সঙ্কুচিত হোৱা যায়, কিন্তু পিছত অভ্যাস কৰোতে কৰোতে যেতিয়া গদলা হয়, তেতিয়া অনায়াসে পাপকাৰ্য্য অলপো ঘৃণা, অলপো ভয় নোহোৱা কৰি কৰিবলৈ সমৰ্থ হয়। কাপোৰ যেতিয়া বগা থাকে তেতিয়া সেই কাপোৰত পিক্ পৰিব, চাই লাগিব আৰু তেল লাগিব, এই বুলি সাৱধান হৈ ফুৰা যায় কিন্তু যেতিয়া কাপোৰত এটা দুটা দাগ লাগিল, অলপ কলা হল, তেতিয়া মাটিত পাৰি তাৰ ওপৰত বহা যায়। এইবিলাক দেখি শুনি আমি সদায় আমাৰ গাত যাতে পাপৰ চাট নপৰে, আৰু তাৰ দাগৰে দাগী নহয় তাৰ যত্ন কৰিব লাগিব। আমি পাপৰ দাগত দাগী হলে, অভ্যাসবশত আমি সেই অপকৰ্ষ ভাব নিজৰ গাত অনুভৱ কৰিব নোৱাৰিলেও আমাৰ প্ৰকৃতি যে নীচলৈ যাব আৰু তাৰ লগে লগে আমাৰ কাৰ্য্যকাৰিণী শক্তিও যে লোপ হব তাৰ কোনো সন্দেহ নাই। আৰু সেই কাৰ্য্যশক্তি লোপ হলেই আমি ক্ৰমে ক্ৰমে অকামিলা হম, নানাবিধ দুখ পাম। এতেকে আমাৰ প্ৰকৃতিৰ উৎকৰ্ষ সাধনকাৰী বৃত্তিবিলাকৰ বিকাশ কৰিবৰ নিমিত্তে প্ৰত্যেক নগৰত এখনি ধৰ্ম্মসভাৰ আৱশ্যক। সেয়ে হলে যিবিলাক ভাব আৰু কাৰ্য্য শাৰীৰিক আৰু মানসিক বৃত্তিৰ বিকাশৰ নিমিত্তে অপকাৰী তাক এৰিবৰ নিমিত্তে বাৰে বাৰে যত্ন কৰি যিবিলাক ভাব বা কাৰ্য্য উপৰ্যুক্ত বৃত্তিবিলাকৰ উৎকৰ্ষকাৰী তাক বাৰ বাৰ অভ্যাস আৰু আলোচনা কৰিবলৈ সুবিধা হব আৰু এই অভ্যাসৰ লগত ঈশ্বৰৰ কৃপা ভিক্ষা কৰিব লাগিব। চকুৱে যেনেকৈ সূৰ্য্যৰ আলো নহলে বস্তু দেখিবলৈ সমৰ্থ নহয়; আমাৰো সেইদৰে তেওঁৰ কৃপা ভিন্ন কোনো কাৰ্য্য ভাল বেয়া বিবেচনা কৰি কৰিবৰ ক্ষমতা নাই। চকুৰ স্বাতন্ত্ৰ্য থকা হলে অমাবস্যা ৰাতি ৰবসুণৰ দিনা বস্তু দেখিলেহেতেন। কিন্তু তেতিয়া আলোৰ সম্পূৰ্ণ অভাৱ হোৱাত এহাত দূৰৰৰ বস্তু দেখোক ছাৰি গাত গা লাগিলেও নেদেখে। আমাৰো ক্ষমতাৰ সীমা সিমানেই। সকলোৰে সমানভাৱে কাৰ্য্যকাৰী-শক্তি নেথাকে। এতেকে যাৰ শৰীৰত বা মনত যি ভাব বা বৃত্তিৰ অভাৱ থাকে সেই অভাৱ নিজে অনুভৱ কৰি



সাধুসকলৰ সমাগমত সেইবিলাক বিনীতভাৱে বুজি লৈ যাতে জীৱনৰ গতি নিৰ্ণয় কৰি লব পৰা যায় তাৰ নিমিত্তে একোটি অনুষ্ঠান থকা নিতান্ত দৰ্কাৰ।

---

# সম্পাদকৰ চৰা।

## নামকাৰ্ত্তন-ধৰ্ম্ম।

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে কীৰ্ত্তনত কৈছে—

"হৰি নামে নামে নামে নিশ্চয়।
মোহোৰ জীৱন নাৱদে কয়॥
কলিৰ কালে আৰ আত পৰ।
নাই নাই নাই গতি লোকৰ॥
নাৰদে দিলন্ত তিনি কতপা।
নামানিবে আক কোন নো লপা॥"

আমিও বাৰে বাৰে কওঁ, বুকু ডাঠ কৰি কওঁ, বাহু ডাঙ্কি কওঁ, যে সকলো ধৰ্ম্মৰ সাৰ নামধৰ্ম্ম, সকলো ধৰ্ম্মৰে প্ৰাণ নামধৰ্ম্ম, আৰু আমাৰ জীৱন হোৱা উচিত নামধৰ্ম্ম। নাম আৰু নামী অভেদ; যদিও আমি সদায় শুনি আহিছোঁ "What is in a name?" আমি কওঁ—But there is much in a real name। বস্তুৰ গুণ আৰু প্ৰকৃতিৰ সংক্ষেপ সংজ্ঞা নাম; নাম, নামীৰ concentrated essence পুঞ্জীকৃত নিৰ্য্যাস, সত্তা, সূচী index, সূত্ৰ definition। এক নিমিষৰ ভিতৰতে উচ্চাৰিত নামে বস্তুৰ বিস্তৃত সকলো গুণ হৃদয়ঙ্গম কৰায়। অৱশ্যে আমি এই কথা কওঁতে এনে বিধৰ নামলৈ চকু ৰাখি কোৱা নাই, যাৰ উদাহৰণ—"কেলেহুৱা কুকুৰৰ কমললোচন নাও"; বা "নিৰ্দ্ধনীৰ ধনঞ্জয়" বা ধনী নাম, নাইবা "ওফোন্দা-গালীক পাৰ্ব্বতী" বা গৌৰী বুলি বাপেক মাকে মৰম কৰি দিয়া নাম; নাইবা মানুহ গৰু মৰা দগধা চোৰ আৰু অঘাইটং দুষ্টক "সুশীল" বুলি মাক বাপেকে সকতে দিয়া নামৰ অসদ্ব্যৱহাৰ। নাম নোহোৱা সভ্য বা মনুষ্য সমাজ অসম্ভৱ. মানুহৰ প্ৰকৃতিগত ধাৰণা অসম্ভৱ। অগও অব্যয় অনন্ত

সৎ চিৎ আনন্দময় পৰমেশ্বৰৰ ধাৰণা সীমাবদ্ধ ক্ষুদ্ৰ মনুষ্যৰ হৃদয়ত সম্ভৱ—মাত্ৰ নামৰ দ্বাৰাই। অনন্ত কোটী ব্ৰহ্মাণ্ডৰ অধিকাৰীক বান্ধি আনি ক্ষুদ্ৰ মনুষ্যৰ হৃদয়-মন্দিৰত স্থাপনা কৰিব পাৰে মাথোন নাম জৰীয়েই। নাম আৰু নামীৰ অভেদত্বৰ নিমিত্তেই নামক নাম-ব্ৰহ্ম বোলা হয়। নাম-ব্ৰহ্ম, শব্দ-ব্ৰহ্ম, নাদ-ব্ৰহ্ম, ব্ৰহ্মৰেই স্বৰূপ। সৃষ্ট জগতৰ আদি নাদ,—মানুহৰ বাক্য স্ফুৰণৰ প্ৰথম প্ৰয়াস—ওঁ এই আখৰটো বা শব্দটো এইবাবেই ইমান পবিত্ৰ, ইমান গুৰুতৰ; আৰু এইবাবেই বেদৰপৰা আৰম্ভ কৰি সকলো শাস্ত্ৰই ইয়াক পৰমব্ৰহ্মবাচক বুলিছে। গীতাই এইবাবেই কৈছে—"ওঁ ইত্যেকাক্ষৰং ব্ৰহ্ম।" অ, উ আৰু ম এই তিনটি ধ্বনি মিলি ওঁ হৈছে। অ মানে পালনকৰ্ত্তা বিষ্ণু, উ মানে সংহাৰ কৰ্ত্তা শিৱ, আৰু ম মানে সৃষ্টিকৰ্ত্তা ব্ৰহ্মা। সৃষ্টি, স্থিতি আৰু লয়ৰ অধিকাৰী পৰম ঈশ্বৰৰ স্বৰূপক প্ৰণৱ ওঁ শব্দই একে আখৰেৰে চমুকৈ এক মুহূৰ্ত্ততে বিজ্ঞাপন কৰে দেখি ওঁ ইমান পবিত্ৰ, ইমান মূল্যবান, আৰু এইবাবেই ওঁ উচ্চাৰণ আৰু জপৰ বিধান। বাৰে বাৰে একেটা কথাকে উচ্চাৰণ কৰি তাৰ মৰ্ম্ম বিশেষভাৱে হৃদয়ত অঙ্কিত কৰাকে জপ কৰা বোলে। এয়েই তো নামধৰ্ম্ম; আৰু এই মূল প্ৰণালীৰেই তো এই কালত বিশেষভাৱে প্ৰচাৰ কৰোঁতা শ্ৰীশঙ্কৰদেৱ। ঈশ্বৰক সুমৰিবৰ এই মূল আৰু একমাত্ৰ বিশিষ্ট প্ৰণালী কালক্ৰমত আবৰ্জ্জনাৰে ঢাক খাই গুপ্ত বা লুপ্ত হৈ পৰিছিল দেখি সেই আবৰ্জ্জনাৰাশি দূৰ কৰি এই নামধৰ্ম্ম প্ৰকাশ কৰি জীৱৰ কল্যাণ কৰিলে শ্ৰীশঙ্কৰদেৱ, শ্ৰীচৈতন্যদেৱ প্ৰভৃতি চাৰিদিশে চাৰিজন মহাপুৰুষ অৱতাৰ হৈ। সৃষ্টি স্থিতি লয়ৰ কৰ্ত্তা ওঁ একাক্ষৰ বাচক পৰমেশ্বৰৰ আনন্দময় গুণ, আৰু সৰ্ব্বভূতৰ হৃদয়ত ৰমণ কৰি সকলোকে সন্তোষ দিওঁতা গুণ, এই দুটা, প্ৰণৱৰপৰা মথি সাৰ কাঢ়ি মানুহৰ মনত সুমধুৰ ৰস সিঁচি মানুহক সজীৱ কৰা হল ৰাম আৰু কৃষ্ণ এই দুট নামেৰে। এনে সুমধুৰ সুমঙ্গল ৰামকৃষ্ণ-নাম-শ্ৰৱণ-কীৰ্ত্তন-ধৰ্ম্ম জাতিবৰ্ণ নিৰ্ব্বিশেষে সকলোৰে সুপ্ৰাপ্য কৰি প্ৰচাৰ কৰি জগতৰ উপকাৰ কৰিলে মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে। ওঁ-কাৰক তো ব্ৰাহ্মণসকলে নিজৰ স্বকীয়া সম্পত্তি কৰি ৰাখি থৈছিল আৰু থৈছেই, স্ত্ৰী শূদ্ৰাদিক সেই শব্দ তেওঁলোকে উচ্চাৰণকে কৰিব নিদিছিল আৰু নিদিয়ে। ব্ৰাহ্মণ আৰু বেদৰ হেঙ্গাৰ ভাঙি তাৰপৰা সাৰৰো সাৰ, অথচ সুমধুৰৰো সুমধুৰ, উচ্চৰো উচ্চ, পৰম ব্ৰহ্মৰ "সত্যং শিবং সুন্দৰং" গুণ প্ৰকাশক ৰামকৃষ্ণ নামৰ অমৃত সকলোকে বিলাই দি পৰম উপকাৰ কৰিলে



কৃপালু শঙ্কৰে; এনে শঙ্কৰৰ উপকাৰ এনে কোন অগুণকাৰী অশাঠনীয়া অভাজন আছে যে পাহৰিব পাৰে?

নামব্ৰহ্মৰ উপাসনা যে অকল হিন্দুৰ ভিতৰতে আছে এনে নহয়, খৃষ্টিয়ান ধৰ্ম্মতো নাম বা শব্দ ব্ৰহ্ম বা ঈশ্বৰ বা "গড্"—বুলি স্বীকৃত; যদিও আজিকালি অনেক খৃষ্টানৰ সেই কথা বৰকৈ মনত বহি থকাটো দেখা নাযায়। বাইবেলত আছে—"In the beginning was the Word, and the Word was with God and the Word was God. অৰ্থাৎ আদিতে শব্দ বা বাক্য আছিল; সেই বাক্য পৰমেশ্বৰেৰে সৈতে আছিল, আৰু সেই বাক্যই পৰমেশ্বৰ। চেইণ্ট্ জনৰ গচ্পেল ( The Gospel of St. John ) মেলিলেই প্ৰথমতে এই কথা দেখিবলৈ পোৱা যায়। এই Word শব্দ বা ওঁ-কাৰ নাদেই বেদৰ পৰমব্ৰহ্ম, আৰু পিছৰ খৃষ্টানৰ Lord! God! আৰু, হিন্দুৰে ধাৰণা কৰা ঈশ্বৰৰ অতি সুমধুৰ প্ৰেম, কৰুণা আৰু সৰ্ব্বভূতৰমণ ৰাম আৰু কৃষ্ণনাম। যি জাতিৰ যি ঘৰুৱা শব্দই নিৰ্গুণ পৰমব্ৰহ্মক সগুণভাৱে অন্তৰঙ্গ কৰি উপলব্ধি কৰায়, সেয়েই নাম, সেয়েই ভৱসিন্ধু তৰণী নামব্ৰহ্ম।

শব্দই, আৰু পৰমাৰ্থবোধক শব্দই মানুহক অন্য জীৱৰ ওপৰত শ্ৰেষ্ঠতা দান কৰি প্ৰকৃত মনুষ্যত্ব প্ৰদান কৰিছে। শব্দ অত্যন্ত শক্তিশালী। এই কথা অলপ দ-কৈ ভাবি চালেই বুজিব পাৰি। অৰ্থবোধক শব্দ যে শক্তিশালীয়েই, আমাৰ প্ৰচলিত বোধগম্যৰ বিপৰীত অৰ্থাৎ আমাৰ পক্ষে সাধাৰণতঃ নিৰৰ্থক বুলি ভৰা শব্দও যে শক্তিশালী এই কথাও অলপ ভাবিলেই দেখা যায়। এটা মাত—সুকুটা অকণমান কেঁচুৱা লৰাক এটাই পাৰি বা কঠুৱাকৈ হকি মাৰি দি কোনো কথা এটা কলে সি ভয় খায় বা কান্দি পেলায়, কিন্তু মিহিকৈ চুপ্-চুপাই এটা কথা কলে সি সন্তোষ পাই হাঁহে। মানুহৰ কথা নুবুজা জন্তু এটাকো উচ্চাৰিত শব্দৰ তাৰতম্য অনুসাৰে ভয় খুৱাব বা আনন্দ দি বশ কৰিব পাৰি। সুললিত মাতৰ চৰাইৰ শব্দ শুনি আমি মোহ যাওঁ, যদিও সেই শব্দেৰে সেই চৰায়ে আনন্দ প্ৰকাশ কৰিছে নে বিৰক্তি প্ৰকাশ কৰিছে, চৰাইটোৱেহে জানে। গুকান শিলত বা থহটা ঠাইত ঘঁহি উলিওৱা কেৰ্কেৰীয়া মাতে আমাৰ মনত প্ৰভাৱ বিস্তাৰ কৰি বিৰক্তি জন্মায়; সুললিত বেহেলা বা বীণৰ গুণত ঘঁহনি খাই উঠা শব্দই মনত তৃপ্তি আৰু আনন্দ দিয়ে। আমি নজনা ভাষাত—যেনে ইটালীয় বা জৰ্ম্মান ভাষাত শোকৰ বা প্ৰেমৰ বা উদগনিৰ

গান শুনিলে যদিও আমি কথাবোৰৰ মানে বুজিব নোৱাৰোঁ, তথাপি তাত উচ্চাৰিত শব্দই আমাৰ মনত শোকৰ বা প্ৰেমৰ বা উদগনিৰ ভাব জগাই দিয়ে। এই লেখকৰ কেচুৱা ছোৱালী এজনীয়ে, তাইৰ মাত ফুটাৰ আগেয়ে, চেতাৰ বা পিয়েনত কোনবাই দুখৰ গান বজোৱা শুনিলে কেকুৰি কেকুৰি কন্দা, আৰু হাঁহিৰ গান বজোৱা শুনিলে আনন্দ প্ৰকাশ কৰা লেখকে সততে দেখিছিল।

গ্ৰীচৰ অৰ্ফিয়চৰ ( Orpheus ) বীণৰ (lyre) শব্দৰ মধুৰ ধ্বনিয়ে গছ, পৰ্ব্বত, পহু পক্ষী আদিকো বিচলিত কৰা, লবোৱা, প্ৰবাদ প্ৰচলিত আছে। আকবৰ বাদস্যাহৰ সভাত এদিন দুপৰীয়া সঙ্গীতবিদ্ তানসেনে এটা ৰাতিৰ ৰাগ ধৰিলত সেই ৰাগৰ ধ্বনি যিমান দূৰলৈকে গৈছিল সেইডোখৰ ঠাইক ৰাতিৰ এন্ধাৰে ঢাকিছিল বুলি প্ৰবাদ প্ৰচলিত আছে। আকবৰে ৰাজসভাৰ আৰু এজন সঙ্গীত শব্দবিদ গোপাল নায়কক এদিন আকবৰে দীপক ৰাগ গাবলৈ কলত, গোপালে এডিঙি লৈকে পানীত নামি ৰাগ ধৰিলত পানী তপত হৈ হৈ শেহত নিজেই পুৰি মৰিল, এনে প্ৰবাদ প্ৰচলিত আছে। হলায়ুধ মিশ্ৰই কৰা "সেক শুভোদয়া" নামৰ এখন প্ৰাচীন সঙ্গীত বিষয়ৰ গ্ৰন্থত আছে,—বিদ্যুৎপ্ৰভা নামেৰে এজনী নৰ্ত্তকী গায়িকাই এদিন ৰজাৰ সভাত "সুহৈ" ( সুহাই ) নামৰ ৰাগ গাইছিল। ৰজাৰ ৰৰচৰাৰ কাষতে এটা পাটনাদৰপৰা তেনে সময়তে এজনী তিৰোতা মানুহে পানী তুলিবলৈ আহোতে সেই ৰাগ শুনি কাণ্ডজ্ঞান হেৰুৱাই কলহৰ ডিঙিত জৰী নলগাই নিজৰ সৰু লৰাটোৰ ডিঙিত জৰী লগাই তাক পাটনাদত পেলাই ডুবুৰিয়াই, জৰীডাল টানি লৰাটোক ওপৰলৈ তুলিলে. লৰাটো পানী খাই মৰিল। সেই কাণ্ড দেখি ওচৰত থকা মানুহে হায়ওবিও কৰাত ৰজাই শুনি মানুহজনীক ধৰাই নি, তাই কিয় তেনে কৰিলে বুলি সুধিলত তাই কলে—"সৰ্গদেও, এইটো মোৰ লৰা ; সৰ্গদেৱৰ সভাৰপৰা গোৱা ৰাগ এটা মই শুনি মোৰ জ্ঞান হৰি গৈ তেনে কাম কৰিছিলোঁ।" ইয়াৰ পিছত লৰাটোৰ ভৰি দুটা ধৰি তাক বুৰালত তাৰ মুখেদি পানীবোৰ ওলাই গৈ লৰাটো ভাল হল। এদিন সেই ৰজাৰ সভালৈকে বুচন মিশ্ৰ নামেৰে এজন গায়কে আহি "পঠমঞ্জুৰী" নামেৰে এটা ৰাগেৰে গান কৰিলত ৰাজসভাৰ ওচৰত থকা আহত গছ এজোপাৰ এটাইবোৰ পাত সৰি পৰিছিল। জয়দেৱ মিশ্ৰ নামৰ সঙ্গীতজ্ঞ পণ্ডিত এজনৰ ঘৈণীয়েক পদ্মাৱতীয়ে গঙ্গাস্নান কৰিবলৈ যাওঁতে গান্ধাৰ ৰাগ ধৰিলত গঙ্গাৰ ঘাটৰ ইপাৰে-সিপাৰে যিমানবোৰ নাও বন্ধা আছিল, এটাইবোৰৰ দোল ছিগি গৈ



টান খাই পদ্মাৱতীৰ ফালে আহিছিল। পদ্মাৱতীৰ স্বামী জয়দেৱে এদিন জাৰকালি বসন্ত ৰাগ গাওঁতে পাত নথকা গছবোৰত কুহি পাত মেলিছিল। Oriental hyperboleৰ কথা বুলি যদি কোনোৱে এইবোৰ বৃত্তান্ত নপতিয়াইও, এইটো কিন্তু স্বীকাৰ কৰিবই লাগিব যে পূৰ্ব্বকালত ভাৰতত সঙ্গীত শাস্ত্ৰৰ চৰমোৎকৰ্ষ সাধিত হৈছিল। যদিও এনেবোৰ আখ্যায়িকাক আজিকালি মানুহে সাধুকথাৰ শাৰীত পেলায়, তথাপি শব্দশাস্ত্ৰ সঙ্গীতশাস্ত্ৰত পাৰদৰ্শী আগৰ কালৰ হিন্দুৰ পক্ষে শব্দৰ এনে মহা শক্তিৰ সাধন আৰু তাক আয়ত্ব কৰা অসম্ভৱ নাছিল, বৰং অতিশয় সম্ভৱপৰ আছিল। আসামতো এনে শব্দবিদ্যা, সঙ্গীত সাধন বিদ্যাৰ চৰ্চ্চা পূৰ্ব্বকালত বিশেষৰূপে আছিল। গুৰুচৰিত্ৰত আছে—মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে চিহ্নযাত্ৰাৰ ভাৱনা কৰোঁতে—

"গায়ন বায়ন বৰ ধেমালি জুৰিলা।
বৰ গায়নৰ বেশে শঙ্কৰ উঠিলা ॥
উদাৰ সহিতে বৰ গোবিন্দ উঠিল।
আনো ভক্তগণে পাছে গীত গাইতে লৈল ॥
প্ৰথমে শঙ্কৰদেৱে ৰাগ তুলিলেক।
উদাৰ প্ৰভৃতি ভক্তে দোহাৰে প্ৰত্যেক ॥
তিমিৰ ৰাগক পাছে বলায়ে জুৰিলা।
বায়ুমণ্ডলী ৰাগ শঙ্কৰেও দিলা ॥
ৰাগ উচ্চাৰণে মহা বতাস মিলিল।
নিকটৰ পাতিসোন্দা বৃক্ষত লাগিল ॥
দুই ফাকি দেন্তে বৃক্ষে যত পাত ছিল।
সকলো সৰিয়া তৈতে ভৈলন্ত নিৰ্ম্মূল ॥
শেষ দুয়ো ফাকি দেন্তে মোসক গুণে পাছে।
পূৰ্ণ কৈল পত্ৰ সব সেহিবৰ গাছে ॥"

আমি যাক নিৰৰ্থক শব্দ বোলোঁ, তাৰো. এনে প্ৰভাৱ ; অৰ্থবোধক শব্দৰ তো কথাই নাই। ভৱদুখহাৰী আনন্দময় ঈশ্বৰবাচক নামৰ এই বাবেই অনন্ত মহিমা,—তেহেলৈ লওঁতাজনে সেই নাম জ্ঞানতে লওক বা অজ্ঞানতে লওক, শ্ৰদ্ধাতে লওক বা হেলাতে লওক। এইবাবে শ্ৰীশঙ্কৰদেৱে কীৰ্ত্তনত লেখিছে—

"হৰিনামে সব পাতক দহয়,
স্থানে বা অস্থানে বোলে।
যেন হুতাশনে শুকান কাষ্ঠক
অতি অপ্রয়াসে পে ৰে।"

"মধুৰ মধুমেতন্মঙ্গলং মঙ্গলানাং।
সকল নিগমবল্লী সৎ ফলং চিৎস্বৰূপং॥
সকৃদপি পৰিগীতং শ্ৰদ্ধয়া হেলয়া বা।
ভৃগুবৰঃ নৰমাত্ৰং তাৰয়েৎ কৃষ্ণনাম॥"

"সকল নিগম-লতা তাৰ অবিনাশী ফল
কৃষ্ণনাম চৈতন্য স্বৰূপ।
সুমধুৰ সুমঙ্গল শ্ৰদ্ধায়ে হেলায়ে লৈয়া
নৰমাত্ৰ তৰে ভব-কূপ॥"—ঘোষা।

এইবাৰে অজামিলে,অন্তকালত পুতেকৰ নাম ধৰি "নাৰায়ণ" বুলি মাতিলত তেওঁৰ সৰ্ব্ব পাপ নষ্ট হৈ উদ্ধাৰ পালে।

"পুত্ৰ নাম ধৰি উপহাস্য কৰি
হেলাতে যিবোলে হৰি।
তাহাৰ সমস্ত পাতক দহয়,
জানা তাক নিষ্ঠ কৰি॥"—কীৰ্ত্তন।

নামৰ intrinsic value গোপ্য মহিমাই এনে। নিৰৰ্থক শব্দ এটাৰে যদি আমি প্ৰত্যক্ষ শক্তি দিনৌ এনেকৈ দেখোঁ, যে দেখি অবাক হওঁ, পৰম মঙ্গল পৰম ঈশ্বৰৰ আনন্দময় হৰিনামৰ শক্তিৰ অপাৰ মহিমা থকাত সন্দেহ কি?

"নাম পঞ্চানন নাদে পলাৱত
পাপ দন্তী ভয়তীত।"—শঙ্কৰদেৱ।

"তাৱদেক মহা পাতক হস্তীৰ
থাকে মহা মদ গৰ্ব্ব।
যাৱে ৰামনাম প্ৰমত্ত সিংহৰ
নুশুনে ধ্বনি শৰ্ব্ব॥"—কীৰ্ত্তন

এইদেখি গুৰুজনে লেখিছে—



"নামৰ মহিমা কহন্ত কেশৰে
আপুনি আশ্চৰ্য্য ভৈলা।
শৰীৰ ৰোমাঞ্চ বচন নোলায়
নিচুকি স্তব্ধিয়া ৰৈলা॥"

এইবাৰেই নাম সকলো ধৰ্ম্মৰ ওপৰত। সকলো ধৰ্ম্মৰ ওপৰে বসিয়া হৰিৰ নাম প্ৰকাশে" বুলি এইবাবেই ঘোষাত কৈছে। এইবাৰেই ভক্তই প্ৰভু ৰামক স্তুতি কৰি কৈছে—

"হে প্ৰাণ প্ৰভু ৰঘুপতি! ৰাম ৰাম ৰাম ৰাম ৰাম।
তোমাত কৰিয়া তযু গুণ নাম ছাৰ।
বিনা সেতু বন্ধ কৰি নৰে, ৰাম ৰাম ৰাম ৰাম ৰাম!
অপাৰ সংসাৰ সমুদ্ৰৰ হোৱে পাৰ॥" ঘোষা।

এইবোৰ অতিৰঞ্জিত কথা নহয়, ভকতৰ প্ৰাণৰ প্ৰকৃত অনুভূতিৰ কথা; ঈশ্বৰৰ পদ-পঙ্কজত ভকতে নিমগন হৈ অনেক সাধনা কৰি পোৱা কথা। আমি বাহিৰৰপৰা এনে কথাক অতিৰঞ্জিত আৰু ভুল বুলি আমাৰ মূৰ্খতাৰ চিনাকী দিওঁ মাথোন। ৰাম কৃষ্ণ হৰি নামৰ, ওঁ নামৰ অৰ্থৰ মৰ্ম্ম অবগাহ কৰি তাক সাধনা কৰি আমাৰ অস্তিত্বৰ প্ৰত্যেক অণুপৰমাণু প্ৰত্যেক কণাৰ চেতনা কৰি লব নাজানি, নোৱাৰি আৰু কৰিবলৈ চেষ্টা নকৰিহে আমি তাক ভাটৌৰ মাত বুলি উৰাই দি অধোগামী হৈছোঁহক। নামক আমাৰ সৰ্ব্বস্ব কৰিব খুজিলে, আৰু কৰি কৰ্ম্মবন্ধ এৰাই ভব-সংসাৰ তৰিব খুজিলে তাক খাওঁতে শোওঁতে উঠোঁতে বহোঁতে লৈ জপ কৰি কৰি থাকিব লাগিব, amateur ভাৱে অৰ্থাৎ চেলেংপেতেংকৈ ললে নহব; নতুবা তাৰ beauty তাৰ মহিমা তোমাৰ আগত প্ৰকাশ নহয়। সাধনা, সাধনা, সাধনা লাগে, তেহে সম্পূৰ্ণ সিদ্ধি লাভ।

"ৰাম নাম জপ ভাই, ৰাম নাম জপ।
ইহাৰ সমান নোহে মন্ত্ৰ তন্ত্ৰ তপ॥—শঙ্কৰদেৱ।

এই ফাকি সাধকৰ হিয়াৰ বাণী, অনেক সাধনা কৰি পোৱা conclusion সিদ্ধান্ত কথা।

ভগৱন্তই গীতাত কৈছে—"যজ্ঞানাং জপযজ্ঞোঽস্মি।" সকলো যজ্ঞৰ ভিতৰত নাম জপৰূপী যজ্ঞ হে তেওঁ। নাম ব্ৰহ্মৰ উপাসনাই মানুহৰ একমাত্ৰ মুক্তি লাভৰ

উপায়, আৰু ইয়েই ভাৰতৰ প্ৰাচীন ধৰ্ম্ম। শিব, নাৰদ, শুকদেৱ, প্ৰহ্লাদ, জনক প্ৰভৃতি মহাযোগী মহাভক্তসকলে নাম ধৰ্ম্মৰ অমিয়া মাধুৰী পান কৰি থাকিবলৈ হে আকাঙ্ক্ষী। মহাযোগী, মহাতাপসসকলে মহাযোগ, কঠোৰ তপস্যা কৰি, Satisfied নহৈ, সন্তোষ নলভি—"শুদ্ধ নহল, দোষ বৈ গল, ছিদ্ৰ থাকি গল,—" conscience বা বিবেক বা অন্তৰাত্মাৰপৰা এনে সাৱধান কৰা বাণী শুনি শেষত নামহে সৰ্ব্ব ছিদ্ৰ সৰ্ব্ব দোষহাৰী পৰম আনন্দ পৰম সন্তোষ দায়ক বুলি থিৰ কৰি ব্ৰহ্মোপাসনাৰ প্ৰকৃত পদ্ধতি প্ৰচাৰ কৰি গৈছে।

"তন্ত্ৰ মন্ত্ৰ আনো দ্ৰব্য অনেক।
দেশকাল পাত্ৰ ছিদ্ৰ যতেক॥
পূৰ্ণ নোহি যত যজ্ঞৰ অঙ্গ।
হৰিনামে কৰে সবে সুসাঙ্গ?"—কীৰ্ত্তন।

মৃত্যুৰ সময়ত অন্তকৰ হাতত পৰিলে, তপ জপ যাগ-যজ্ঞ কৰবাত থাকে; তেতিয়া একমাত্ৰ এই হৰি নামকহে মানুহে (যি সম্প্ৰদায়ৰে হওক) সাৰটি ধৰে—

"তপ জপ তীৰ্থব্ৰত যাগ-যোগ যজ্ঞ দান
কাকো সুমৰৰে মৃত্যু বেলা।
মৰন্তা জনক বেঢ়ি বোলে সবে ৰাম বোল
হেন নামে এতিক্ষণ হেলা॥" ঘোষা।

মৃত্যুৰ অধিকাৰী মহাভক্ত ধৰ্ম্মৰাজ যমে তেওঁৰ দূতসকলক নামৰ পৰম মহিমা জানি সেইদেখি কৈছিল:—

"দেব ঋষি নৰ সিদ্ধ বিদ্যাধৰ গন্ধৰ্ব্ব চাৰণগণে।
হৰিৰ নামৰ গোপ্য মহিমাক তেসবো কেহে নাজানে॥
ব্ৰহ্মা হৰ মনু কপিল কুমাৰ শুক ভীষ্ম বলি ৰায়।
প্ৰহ্লাদ নাৰদ জনক আমিসে বাৰজন সমুদায়॥
পৰম গুপুত হৰিনাম ধৰ্ম্ম জানি আছোঁ শুদ্ধভাৱে।
যাক আচৰিলে ঠায়তে বসিয়া দুৰ্ল্লভ মোক্ষক পাৱে॥
হৰিত ভকতি কৰে সৰ্ব্বদায় কৰিয়া কীৰ্ত্তন কৰ্ম্ম।
মনুষ্য লোকত এহিমানে মাত্ৰ পুৰুষৰ শ্ৰেষ্ঠ ধৰ্ম্ম॥"
—কীৰ্ত্তন।



কালৰ কুটিল গতি! ভাৰতবৰ্ষত এনে প্ৰাচীন মহাৰত্ন গুপ্ত হৈ পৰি যাগ, যজ্ঞ, ক্ৰিয়াকাণ্ড প্ৰচলিত হৈছিল। এনে গুপ্তৰত্নক বেদ, ভাৰত, গীতা ভাগৱত চাই উলিয়াই আনি এই কালৰ উপযোগী জানি পুনৰ প্ৰচাৰ কৰিলে আমাৰ শঙ্কৰদেৱে। এই কথা মাধৱদেৱে গীতেৰে যেনেকৈ কৈছে,—তাক এশ বাৰ আমি সত্য সত্য বুলি স্বীকাৰ কৰোঁ—

"চাৰিকু বেদ পুৰাণ যত ভাৰত গীতা ভাগৱত চাই।
ওহি সাৰ বিচাৰ কয় ভাৰত, হৰি বিনে তাৰক নাই॥
সনক সনাতন শুক মুনি নাৰদ চতুৰ বয়ন শূলপাণি।
সহস্ৰ বয়ন আদি গাৱত হৰিগুণ, সকল নিগম তত্ত্ববাণী॥
কৃষ্ণনাম যশ পৰম অমিয়া ৰস গাৱত মুকুত নিশেবং।
পৰম মূৰুখ মতি কহয় মাধৱ দীন, শঙ্কৰ গুৰু উপদেশং॥"

দেৱতা আছে। আমি পাশ্চাত্য শিক্ষাত শিক্ষিত হৈ, প্ৰত্যক্ষ আৰু বাস্তৱ জগতত নিমগন হৈ যিমানকে প্ৰত্যক্ষবাদী হৈ আমাৰ ভাৰতীয় মহাজ্ঞানী মহাচিন্তাশীল ঋষি মুনিসকলক কল্পনাবিহাৰী বুলি ঔদ্ধত্য প্ৰকাশ কৰোঁহক, এইটো নিশ্চয় নিশ্চয় যে তেওঁলোক মাথোন কল্পনা ৰাজ্যতে থকা সাধুকথা ৰচোতা বা বিশ্বাস কৰোতা মানুহ নাছিল। তেওঁলোকে আধ্যাত্মিক জ্ঞান-নেত্ৰ উন্মিলিত কৰি দেখিছিল যে এই world বা সংসাৰেই মানুহৰ এক মাথোন শেষ সংসৰ নহয়, spirit world বুলিও এখন world বা সংসাৰ মানুহৰ এই জীৱনৰ অন্তত আছে। আজিকালিৰ প্ৰত্যক্ষবাদী বৈজ্ঞানিক দাৰ্শনিকসকলে এই জড় সংসাৰক যেনেকৈ তন্ন-তন্নকৈ scientifically আলোচনা কৰিছে, তেওঁলোকেও সেইদৰে spirit world আধ্যাত্মিক জগতকো পুঙ্খানুপুঙ্খৰূপে scientifically আলোচনা কৰি তাৰ তথ্য নিৰ্ণয় কৰিছিল, আৰু সেই আলোচনাৰ প্ৰণালী inductive অধিৰোহ deductive অৱৰোহ আজিকালিৰ দৰেই খুব scientific আছিল। আমি পাশ্চাত্য শিক্ষাত শিক্ষিত হৈ দেৱতাৰ অস্তিত্ব নামানিব পাৰোঁ, কিন্তু সেই বুলি তেত্ৰিশকোটী দেৱতা শূন্যত পৰিণত নহয়। সকলো ধৰ্ম্মতে দেৱতাৰ অস্তিত্ব স্বীকৃত হৈছে। খৃষ্টান ধৰ্ম্মতো মাইকেল আৰু গেব্ৰিয়েলকে আদি কৰি good angelsৰ অৰ্থাৎ ভাল দেৱতাৰ ঠাই আছে, Satan বা চইতানকে আদি কৰি অসৎ দেৱতাৰ ঠাই আছে। মছলেম ধৰ্ম্মতো এঞ্জেলৰ অস্তিত্ব আছে; গেব্ৰিয়েলে মহম্মদক ঈশ্বৰৰ

বাণী আনি সততে উপদেশ দিয়া কথা কোৰাণৰ পাতে পাতে লেখা আছে। ব্ৰাহ্মণ্য ধৰ্ম্মৰ বিদ্ৰোহ ঘোষণা কৰোঁতা আৰু বেদৰ প্ৰাধান্য নামানোতা, বিষ্ণুৰ অৱতাৰ বুদ্ধদেৱৰ বৌদ্ধধৰ্ম্মতো নাৰ নামৰ দেৱতাৰ অস্তিত্ব স্বীকৃত। আন সৰু সৰু ধৰ্ম্মৰ তো কথাই নাই, পৃথিৱীৰ এই চাৰিটা ডাঙৰ ধৰ্ম্ম—হিন্দু, বৌদ্ধ, খৃষ্টান, মছলেম—(পৌত্তলিক আৰু অপৌত্তলিক)—চাৰিউটাই দেৱতাৰ অস্তিত্ব স্বীকাৰ কৰে। ধৰ্ম্মৰ ফালৰপৰা নাচালেও, সহজ জ্ঞান আৰু প্ৰত্যক্ষ প্ৰমাণও দেৱতাৰ অস্তিত্বৰ বিৰুদ্ধে থিয় নহয়। হিন্দু ধৰ্ম্মই তো মানুহৰ তিনটা অৱস্থা বা দেহত অৱস্থিতি দৃঢ়ভাৱে কয়, যেনে—(১) স্থূল-শৰীৰ অৰ্থাৎ আমাৰ এই বৰ্ত্তমান তেজ মঙহেৰে আৰু পঞ্চেন্দ্ৰিয়াদিৰে গঠিত শৰীৰ; অৰ্থাৎ এই দৃশ্যমান হস্তপদাদিবিশিষ্ট ৰোম চৰ্ম্মাচ্ছাদিত মাংস সমষ্টি, যি বাল্য কৌমাৰ যৌৱন বাৰ্দ্ধক্যাদিৰ দ্বাৰাই ক্ৰমে শীৰ্ণ হয়; অৰ্থাৎ যি দৃশ্যমান অগ্নিৰ দ্বাৰাই কিন্তু আচলতে আধ্যাত্মিক, আধিভৌতিক, আৰু আধিদৈৱিক এই তাপত্ৰয়ৰূপ অগ্নিৰে সততে দগ্ধ (দহ) বা পুৰি গৈ ভস্মীকৰণ হয়—সেই স্থূল দেহ। (২) সূক্ষ্ম-শৰীৰ। অৰ্থাৎ জীৱই স্থূল শৰীৰ পৰিত্যাগ কৰি পোৱা দ্বিতীয় অৱস্থাৰ দেহ। পঞ্চভূতৰপৰা হোৱা সপ্তদশ লিঙ্গ শৰীৰকে সূক্ষ্ম শৰীৰ বোলে। সপ্তদশ মানে—পঞ্চ জ্ঞানেন্দ্ৰিয়, পঞ্চ কৰ্ম্মেন্দ্ৰিয়, প্ৰাণাদি পঞ্চবায়ু, বুদ্ধি আৰু মন। পঞ্চ জ্ঞানেন্দ্ৰিয় মানে কাণ, ত্বক, চকু, জিভা, নাক। পঞ্চ কৰ্ম্মেন্দ্ৰিয় মানে মুখ, হাত, ভৰি, গুহ্য,উপস্থ। কিন্তু এই দৃশ্যমান কাণ আদি আৰু হাত মুখ আদি ইন্দ্ৰিয় নহয়, ইন্দ্ৰিয়ৰ যন্ত্ৰ মাথোন। কৰ্ণৰন্ধ্ৰক আশ্ৰয় কৰি শব্দ গ্ৰহণৰ যি সমৰ্থ সিহে আচল কৰ্ণেন্দ্ৰিয়। চকুৰ গোলকক আশ্ৰয় কৰি চকুৰ মণিৰ আগত থকা শুক্লপীতাদি ৰূপ গ্ৰহণৰ যি সমৰ্থ সেয়ে হে চক্ষুৰিন্দ্ৰিয়। নাকক আশ্ৰয় কৰি নাসিকাগ্ৰবৰ্ত্তী গন্ধ গ্ৰহণৰ যি সমৰ্থ সি হে ঘ্ৰাণেন্দ্ৰিয়। জ্ঞানেন্দ্ৰিয়ৰ দৰে কৰ্ম্মেন্দ্ৰিয়বো দৃশ্যমান হস্তাদি ইন্দ্ৰিয় নহয়, ইন্দ্ৰিয়ৰ যন্ত্ৰ মাথোন। মুখ ইন্দ্ৰিয় নহয়, মুখক আশ্ৰয় কৰি, হৃদয়, কণ্ঠ, শিৰ, ওপৰ-ওঠ, তল-ওঠ, তালুদ্বয় আৰু জিভা এই অষ্টস্থানবৰ্ত্তী শব্দৰ উচ্চাৰণত যি শক্তিমান সেয়ে হে বাগিন্দ্ৰিয়। স্থূল শৰীৰ পৰিলে অৰ্থাৎ আমি এই পৃথিৱীত যাক মৃত্যু বোলোঁ। সেইটো ঘটিলে আমাৰ যন্ত্ৰবোৰ নাইকিয়া হয়, কিন্তু এই জীৱনত যন্ত্ৰক আশ্ৰয় কৰি প্ৰকাশ হোৱা ইন্দ্ৰিয়বোৰ থাকে। ঘৰুৱা উদাহৰণ এটা দিবলৈ গলে—জুই ধৰিবলৈ কাঠ নাই বুলি যে জুই নাই এনে নহয়, জুই পৃথিৱীত আছেই, থাকিবই—মাথোন সি আশ্ৰয় কৰি প্ৰকাশ হবলৈ কাঠ



নোপোৱা বাবে গুপ্ত হৈ আছে। এতেকে আমি সাধাৰণত যাক মৃত্যু বোলোঁ, তাৰ পাছৰ সূক্ষ্ম শৰীৰতো ইন্দ্ৰিয়বোৰ ( Desires and Passions ) পূৰ্ণমাত্ৰাৰে থাকে। (৩) তৃতীয় অৱস্থা কাৰণ-শৰীৰ। ইয়াতো সেইবোৰ বৰ্ত্তমান, কিন্তু আৰু সূক্ষ্মাতিসূক্ষ্মভাৱে। কাৰণ-শৰীৰো অনৃত, জড় আৰু দুঃখাত্মক। আত্মা আৰু ব্ৰহ্মৰ একত্ব জ্ঞান হলেহে কাৰণ-শৰীৰ যায়। এইবোৰ হিন্দু দাৰ্শনিক ঋষিৰ অনেক কালৰ অনেক গবেষণাৰে স্থিৰীকৃত হোৱা কথা।

আন কেইটা ধৰ্ম্মতো মনুষ্য দেহ আৰু জীৱৰ বিষয়ে যদিও হিন্দু ধৰ্ম্মৰ শাস্ত্ৰৰ দৰে এনে সূক্ষ্মাতিসূক্ষ্ম বিচাৰ ( scientific research ) নাই, তথাপি মানুহ মৰিলেই যে ইয়াতে তাৰ সকলো শেষ হল, এনে সিদ্ধান্ত সেই কেইটা ধৰ্ম্মইও নকৰে। Immortality of soul আত্মাৰ অমৰত্ব, আৰু spiritual body দৈৱিক শৰীৰ এনে ধাৰণা এনে সিদ্ধান্ত সেই কেইটাতো স্পষ্ট। আজিকালিৰ পাশ্চাত্য দাৰ্শনিক বৈজ্ঞানিকসকলেও, প্ৰথমতে এই বিষয়ে অবিশ্বাস মনত লৈ, গবেষণা, বিচাৰ, অনুসন্ধান কৰি, মানুহৰ মৃত্যুৰ পিছতো অস্তিত্ব থকাৰ সিদ্ধান্তত উপস্থিত হবলৈ বাধ্য হৈছে। আমাৰ মৃত্যু হলেই যে আমাৰ আমিত্বৰ ওৰ নপৰে, মৃত্যুৰ পাছতো যে আমাৰ আমিত্ব সম্পূৰ্ণৰূপে বৰ্ত্তমান থাকে, বৰং স্থূলদেহৰপৰা মুক্ত হৈ আত্মচৈতন্যৰ বিশেষভাৱে বিকাশ হয়, পাশ্চাত্য পণ্ডিতসকলেও এই কথা লাহে লাহে বুজি আহিবলৈ ধৰিছে। বিলাতৰ সৰ্ব্বশ্ৰেষ্ঠ বৈজ্ঞানিক স্যৰ অলিভৰ লজে আজি বছৰদেকৰ আগেয়ে কোৱা এই কথা অৱশ্যে অনেকে কাকতত পঢ়িছে। তেওঁ এটা বক্তৃতাত কৈছিল—

"In justlce to myself and my co-workers, I must risk annoying my present hearers, not only by leaviug on record our conviction that occurrences now regarded as occult can be examined and reduced to order by methods of science carefully and persistently applied but by going further and saying with the utmost brevity that altready the facts so examined have convinced me that memory and affection are not limited to that association with matter by which alone they can manifest themselves here and now and that *personality perssits beyond bodily death.* • • • The methods of science are not the ouly way, though they are our way of being piloted to truth."

য়ুৰোপত "মিডিয়মৰ" সহায়ৰে সূক্ষ্মশৰীৰধাৰী প্ৰেতাত্মাৰ আবাহন আদি কাৰ্য্য

যে আজিকালি খুব চলিছে এই কথাৰো ভু অনেকে ৰাখিছে। ভাৰতবৰ্ষতো আৰু এই কলিকতা চহৰতে অনেকবাৰ আমি তেনে কাৰ্য্য নিজ চকুৰ আগতে দেখিছোঁ। এনে ক্রিয়াৰ আচল কাৰণ কি, মানে কি, ইয়াকে বৈজ্ঞানিক উপায়েৰে স্থৰ অলিভৰ লজে অনুসন্ধান কৰি ওপৰত আমি তুলি দিয়া সিদ্ধান্তত ওলাইছেহি। কিন্তু স্থূল দেহৰ বিনাশত যে আত্মচৈতন্য বিনষ্ট নহয়,আত্মা অজড় অমৰ, এই সত্য অনেক শতিকাৰ আগেয়ে ভাৰতত ঋষিসকলৰ দ্বাৰাই অবিষ্কৃত হৈ গৈছে। হিন্দুৰ দৰ্শন, বিজ্ঞান, ধৰ্ম্ম, সকলো এই সত্য সিদ্ধান্তৰ ওপৰত প্ৰতিষ্ঠিত। আজিকালিৰ প্ৰত্যক্ষ-বাদীসকলৰ পৰীক্ষাত তেওঁলোকৰ নিমিত্তে সেই কথা পুনৰ আংশিকৰূপে স্বীকৃত হৈছে মাথোন।

ভূতৰৰ উপদ্ৰ অপণ্ডিত অশিক্ষিত আৰু পণ্ডিত শিক্ষিত অনেকে দেখিছে। যি ভূত নাই বুলি দৃঢ়ভাৱে কয়, ভূতত বিশ্বাস নকৰে, তেনে মানুহেও কোনো কোনো মানুহৰ ঘৰত আচৰিত ৰকমৰ ভৌতিক উপদ্ৰৱ নেদেখাকৈ থকা নাই, যাৰ কাৰণৰ প্ৰত্যক্ষ বা ভালকৈ বুজিবপৰা ভেটি (Plausible explanation) তেওঁলোকে প্ৰত্যক্ষবাদৰ ভেটিত থিয় হৈ বিচাৰি নাপায়। আমি অৱশ্যে ভূত থকাটো মানো,আৰু out and out ঘোৰ প্ৰত্যক্ষবাদীও নহওঁ, সেইদেখি তাৰ কাৰণ আমি বুজিবলৈকো টান নাপাওঁ। আমি আৰু মানো :--অৰ্থাৎ ভূত যেনেকৈ মানো, কৰ্ম্মফলও মানো। Law of Karma কৰ্ম্মফলবাদ হিন্দুৰ ভ্ৰমপূৰ্ণ আৰু কল্পনাপ্ৰসূত এটা কথা নহয়; ই হিন্দু ঋষিসকলৰ অনেক পুৰুষৰ অনেক গভীৰ বৈজ্ঞানিক অনুসন্ধানৰ অমূল্য সিদ্ধান্ত। অৱশ্যে হিন্দু ভাবাপন্ন নোহোৱা, ওপৰে ওপৰে যোৱাসকলৰ পক্ষে কৰ্ম্মফলবাদ Law বুজা সহজে সম্ভৱ নহয়। সেইটো যি হওক, এইটো সকলোৱে মানে যে এই সংসাৰত সজ কামৰ ফল সজ হয়, বেয়া কামৰ ফল বেয়া হয়। কিন্তু ঋষিসকলে আৰু আগবাঢ়ি গৈ আধ্যাত্মিক দৰ্শনেৰে দেখি সিদ্ধান্ত কৰিছে যে মানুহক ইহকালৰ সজ কাৰ্য্যই পৰকালতো সজ ফলভোগ কৰায়, এইটোও সত্য। ইহকালত নানা ৰকম অসজ desires, passions কু প্ৰবৃত্তিৰ দ্বাৰাই পৰিচালিত লোকে ইহকালত তাৰ ফলভোগ কৰক বা নকৰক পৰকালতো যে তাৰ বিষত জৰ্জ্জৰিত হৈ কষ্ট পায়, এইটো তেওঁলোকৰ আত্মদৃষ্টি আধ্যাত্মিক দৃষ্টিৰ সত্য ফল। এই কালত দুৰাচাৰী, মদ আৰু ব্যভিচাৰত অতিৰিক্ত অনুৰক্ত লোকে যে মৃত্যুৰ পিছতো সেই Hankering লৈ মদৰ দোকান বা বেশ্যাৰ গলীত ভূত হৈ ঘূৰি



ফুৰিব লগা হয়, অথচ সেই অৱস্থাত নিজৰ প্ৰবৃত্তি চৰিতাৰ্থ কৰিবৰ নিমিত্তে যন্ত্ৰ (organ) বিহীন হৈ সেই প্ৰবৃত্তিৰ প্ৰখৰতাত আৰু কষ্টভোগ কৰে, এইটোও নিশ্চয়কৈ হিন্দু ঋষিয়ে জানিছিল। সেইবোৰ বেয়া ঠাইত ঘূৰি ফুৰোতা ব্যভিচাৰী কোনো মানুহৰ গাত "ভূত লম্ভি"অৰ্থাৎ ভূতে আশ্ৰয় লৈ সেই প্ৰবৃত্তি চৰিতাৰ্থ কৰিবৰ চেষ্টা কৰা, অৰ্থাৎ সেই ব্যভিচাৰী মানুহজনক ভূতে পোৱা ঘটনা আজিকালিও অনেকে দেখিছে।

দুষ্কৰ্ম্মৰ দ্বাৰাই যেনেকৈ মানুহ ভূত (Evil spirit) হয়, সজকৰ্ম্মৰ দ্বাৰাই তেনেকৈ Good spirit angel অৰ্থাৎ দেৱতা হয়, এইটো হিন্দু ঋষিৰ দৃষ্টিৰ সত্য সিদ্ধান্ত। তেওঁ দেখিছিল। পুণ্য কাৰ্য্যৰ ফলত আৰু নিৰবচ্ছিন্নভাৱে সজ চিন্তা, সজ কাৰ্য্যৰ ফলত ক্ৰমোন্নতিৰ নিয়ম মতে Good sprit উৰ্দ্ধগামী হৈ হৈ দেৱতাত পৰিণত হয় গৈ। পৰলোকতো সজ চিন্তাৰ সজ কাৰ্য্যৰ ফলত কালক্ৰমত জীৱই দেৱতাৰ চাপে চাপে উঠি গৈ ইন্দ্ৰত্ব পৰ্য্যন্ত পায় গৈ। ইন্দ্ৰ, চন্দ্ৰ, বায়ু বৰুণ প্ৰথমতে আমাৰে নিচিনাহে জীৱ আছিল। লাহে লাহে সজ কাৰ্য্যৰ দ্বাৰাই তেওঁলোক সেইবোৰ পদৰ অধিকাৰী হৈছে। ঈশ্বৰৰ বিশ্বৰাজ্যত সজ কাৰ্য্যৰ ফলত যেনেকৈ ক্ৰমোন্নতি ধ্ৰুব সত্য, অসজ কাৰ্য্যৰ ফলত অৱনতিও তেনেকৈ ধ্ৰুব সত্য।

বহুতে ভাবে যে "অনন্তকোটী ব্ৰহ্মাণ্ডৰ অধিকাৰী" ঈশ্বৰৰ সৃষ্টিৰ চৰম শ্ৰেষ্ঠ জীৱ মানুহেই ; মানুহৰ আৰু ঈশ্বৰৰ মাজত ব্যৱধান একো নাই ; অৰ্থাৎ একালে মানুহ, সিফালে "এক দম" ঈশ্বৰ। এইটো যে যুক্তিবিৰুদ্ধ আৰু unscientific অবৈজ্ঞানিক কথা, অলপ ভাবিলেই দেখিবলৈ পোৱা যায়। আন কি, আমাৰ সহজ জ্ঞানেও আমাক কৈ দিয়ে যে এইটো ভুল। নিচেই তল থাপৰ জীৱ,—ধৰাঁ প্ৰাণপঙ্ক (Protoplasm), অথবা আৰু ওপৰলৈ আহি ধৰাঁ, উদ্ভিদ, মাছ, পোক পৰুৱা, এইবোৰ জীৱ আৰু মানুহৰ মাজত কত স্তৰৰ কত শ্ৰেণীৰ জীৱ আছে। Evolution বা ক্ৰমোন্নতিত তল-থাপৰ প্ৰাণীৰ ক্ৰমবিকাশ হৈ মানুহত পৰিণত হৈছে বুলিও পাশ্চাত্য দাৰ্শনিক পণ্ডিতসকলে কয়। তেওঁলোকে তল-থাপৰপৰা ওপৰ-থাপৰ জীৱ মানুহলৈকে ক্ৰমোন্নতিৰ শিকলি বা Linkও বিচাৰ কৰি থিৰ কৰিছে। এনে স্থলত মানুহ আৰু ঈশ্বৰৰ মাজত, মানুহতকৈ স্তৰে স্তৰে থোপে থোপে উন্নত প্ৰাণী নথকা বুলি কল্পনা কৰাটোও ভুল যে কথা, এইটো বিচাৰি পালে দেছি পৰিশ্ৰম

নালাগে। বিশেষ কোনো এক ৰাজ্যত ৰজাৰপৰা দুখীয়া প্ৰজা এটালৈকে ওখ বৰ সৰু পণ্ডিত মূৰ্খ ধনী ভিকহু কত মানুহ থকা দেখা যায়; আৰু ৰাজ্যত ৰজাজনৰ কৰ্ম্মচাৰীৰ শক্তি, বুদ্ধি আৰু ক্ষমতাত কত ওখ সৰুৰ শ্ৰেণী বিভাগ দেখা যায়; এনে স্থলত ঈশ্বৰৰ অনন্ত বিশ্বৰাজ্যত এনে "বে-বন্দবস্ত" বুলি আমাৰ ভবা উচিত নে যে মানুহৰ অন্তত আৰু ঈশ্বৰৰ ওচৰলৈকে কোনো শ্ৰেষ্ঠতৰ জীৱ নাই? তেওঁৰ অসীম অনন্ত সৃষ্টি লীলা মানুহতে অন্ত হল নে? নিশ্চয় নহয়। তেন্তে মানুহ আৰু ঈশ্বৰৰ মাজত শক্তি সামৰ্থ্যৰ তাৰতম্য অনুসাৰে তেত্ৰিশকোটী উন্নত শ্ৰেণীৰ দেৱতাৰ কথা কৈ হিন্দুশাস্ত্ৰই কত ভুল কৰিলে? আৰু হিন্দুশাস্ত্ৰৰ এই কথা ভুল বুলি আমি "শিক্ষাভিমানী" সকলে কৈ হাস্যাস্পদ হোৱা নাইনে?

ইন্দ্ৰ, গণেশ, সূৰ্য্য আদি দেৱতাক পূজা কৰিলে তেওঁলোকে বৰ অৰ্থাৎ সুফল দিয়ে। সূৰ্য্যক পূজা কৰিলে ৰোগ ভাল হয়; সিদ্ধি বা কুশলৰ নিমিত্তে গণেশক পূজা কৰিলে সেই কাৰ্য্য হয়; শত্ৰুনাশৰ নিমিত্তে শক্তিক পূজা কৰিলে দৈত্য শত্ৰু বধ হয়; জ্ঞান লাভৰ নিমিত্তে শিৱক পূজা কৰিলে শিৱই জ্ঞান দিয়ে, আৰু কুমাৰীসকলে সুন্দৰ দৰা পাবলৈ পূজা কৰি কৃতকাৰ্য্য হয়। কিন্তু দেৱতা সৰ্ব্বশক্তিমান পৰমেশ্বৰ নহয়। যি দেৱতাৰ যিমান ক্ষমতা, তেওঁ তেওঁৰ উপাসকসকলক তাকে হে দিব পাৰে. তাৰ বাহিৰৰ বস্তু কেনেকৈ দিব? মুক্তিৰ গৰাকী তো তেওঁলোক নহয়, তেওঁলোকে মুক্তি দিব কেনেকৈ? তেওঁলোক নিজেই মুক্তিৰ নিমিত্তে লালায়িত, আনক তেওঁলোকে মুক্তি কেনেকৈ দিব? মুক্তি স্বয়ং ঈশ্বৰৰ হাতত। কলিত অল্পপ্ৰাণ মানুহে মুক্তি লাভ কৰিবৰ নিমিত্তে প্ৰকৃত শাস্ত্ৰ সমূহে নাম-ধৰ্ম্মৰ ব্যৱস্থা কৰিছে। সেই শাস্ত্ৰ-সমুদ্ৰ মথি মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে তেওঁৰ প্ৰিয় শিষ্য শ্ৰীমাধৱদেৱৰে সৈতে গোটখাই সেই নামধৰ্ম্ম প্ৰচাৰ কৰি সকলোকে ভৱসাগৰৰ সাকো প্ৰস্তুত কৰি দিলে। এনে মহোপকাৰী পৰম গুৰু আমাৰ শঙ্কৰদেৱ।

দুখৰ বিষয় এনে নিৰ্ম্মল নিষ্কলঙ্ক দয়াৰ ধৰ্ম্ম নামধৰ্ম্ম থাকোতে ভাৰতবৰ্ষ আকৌ ধৰ্ম্মৰ নামত নিৰ্দ্দোষ পশুৰ ৰক্তেৰে কলঙ্কিত হব লাগিছে। তন্ত্ৰশাস্ত্ৰৰ প্ৰকৃত মৰ্ম্ম নুবুজা কিছুমান মানুহে আকৌ তন্ত্ৰৰ দোহাই দি সুৰাপান, আন কি ব্যভিচাৰকো ধৰ্ম্মানুষ্ঠান বুলি চলাবলৈ চেষ্টা কৰিছে। অনেক ভণ্ডতপস্বীয়ে হঠযোগৰ কিছুমান প্ৰক্ৰিয়া আৰু কৌশলকে ধৰ্ম্ম বুলি দেখুৱাই মানুহৰ মন অধিকাৰ কৰিছে।



অনেকে দেওপূজা, ভূতসিদ্ধি, পিশাচ সিদ্ধিকে প্ৰকৃত ধৰ্ম্ম বুলি কৈ মূৰ্খ লোকৰ মন অধিকাৰ কৰিছে। কামিনী কাঞ্চনৰ ওচৰলৈকে যাব নোপোৱা উদাসীন ভকত গোসাঁইসকলৰ সৰহভাগে সেই দুই বস্তুৰ নিমিত্তে লালায়িত হৈ শঙ্কৰ মাধৱ প্ৰচাৰিত শুদ্ধ সত্ত্ব ধৰ্ম্মলৈ পিঠি দিছে। ব্যৱসায়ী স্বাৰ্থপৰ চতুৰ অনেক লোকে গুৰু হৈ অল্প বুদ্ধিৰ হেজাৰ হেজাৰ মানুহৰ চকুত ধূলি মাৰি নিজৰ অৰ্থ, মান আৰু ক্ষমতা বঢ়াব লাগিছে। মহাপুৰুষৰ তিৰোভাৱৰ প্ৰায় চাৰি শ বছৰৰ ভিতৰতে জীৱৰ এনে বিলাই-বিপত্তি ঘটিছে! হে মহাপুৰুষ! হে গুৰুজন! তুমি বৈকুণ্ঠৰপৰা দৃষ্টিপাত কৰি চোৱাঁ, তোমাৰ প্ৰিয় মনুষ্য সমাজৰ ধৰ্ম্ম বিষয়ত কি অধোগতি হৈছে! আহাঁ, তুমি আকৌ আমাৰ মাজলৈ এবাৰ কৃপা কৰি আহাঁ, নাম-ব্ৰহ্মৰ পবিত্ৰ ধ্বনিৰে আমাৰ পাপ কল্মষ দূৰীভূত কৰি আমাক সুমতি প্ৰদান কৰাঁ, আকৌ যেন সেই নামব্ৰহ্মৰ উপাসনা প্ৰসঙ্গেৰে ভাৰতৰ দুখ দুৰ্দ্দিন আঁতৰে।

নামেৰে ঈশ্বৰক উপাসনা কৰাৰ বিশেষত্ব এই যে, এই পূজা এই উপাসনাত কোনো প্ৰকাৰ জাতিবৰ্ণ বিচাৰৰ প্ৰয়োজন নাই, ব্ৰাহ্মণৰপৰা চণ্ডাললৈকে সকলো এই পূজাৰ অধিকাৰী। এই পূজাক দেশকাল পাত্ৰৰ বিচাৰ আৰু আন কোনো ছিদ্ৰই পৰশিব নোৱাৰে। আমাৰ মহাপুৰুষৰ দৰে চৈতন্যদেৱেও এই নামধৰ্ম্ম প্ৰচাৰ কৰি কৈছে—

"কলিযুগে নামৰূপে কৃষ্ণেৰ অৱতাৰ।
নাম হইতে হয় সৰ্ব্ব জগত নিস্তাৰ॥"

ছান্দোগ্য উপনিষদে কৈছে "ওমিত্যেতদক্ষৰ মুদ্গীথমুপাসীত।" এই ঈশ্বৰ বাচক প্ৰণৱ নামেই "মধুৰ মধুৰমেতৎ মঙ্গলং মঙ্গলানাং—ভাৱয়েৎ কৃষ্ণনাম।" এনে কৃষ্ণনাম, যাৰ অন্বয়—

'কৃষিৰ্ভূবাচক শব্দোৰ্ণশ্চ নিবৃত্তি বাচকঃ।
তয়োৰৈক্যং পৰং ব্ৰহ্ম কৃষ্ণ ইত্যভিধীয়তে॥"—মহাভাৰত।

"কৃষ হেন শব্দ ইতো পৃথিবী বাচক ভৈল,
ন আনন্দত প্ৰবৰ্ত্তয়।
দুইৰ এক পদ ভৈল পৰম ব্ৰহ্ম ৰূপ কৃষ্ণ
নাম আনন্দক মাত্ৰ কয়॥"—ঘোষা।

অতি সুমধুৰ ৰাম বোলা ভাই! যি ৰাম নাম—

"ৰমন্তে যোগিনোঽস্মে সত্যানন্দে চিদাত্মনি।
ইতি ৰামপদে নাঽসৌ পৰং ব্ৰহ্মাভিধীয়তে॥"

"অনন্ত চৈতন্য আত্মা সদানন্দ ঈশ্বৰত
যোগী জনে সদায় ৰময়।
এহি হেতু ৰাম পদে পৰমব্ৰহ্ম স্বৰূপত
কহে ৰাম নামৰ অন্বয়॥ —ঘোষা।

আমাৰ পাপ তাপ হৰণ কৰোঁতা ঈশ্বৰক হৰি বোলা ভাই!—

"হৰেৎ পাপঞ্চ তাপঞ্চ ভক্তানাঞ্চ হৰেৎ মনঃ।
য এব স হৰিঃ প্ৰোক্তঃ সমস্তৈৰ্ভক্ত সাধকৈঃ॥"

"স্মৰণ মাত্ৰকে যিহেতু দুৰ্ঘোৰ
সংসাৰ দুখ হৰন্ত।
এহি হেতুতেসে ঈশ্বৰক হৰি
বোলয় যত মহন্ত॥" —ঘোষা।

চোৰাচোন মহাভক্ত মহাদেব শিৱই মহানিৰ্ব্বাণ তন্ত্ৰত জগন্মাতা পাৰ্ব্বতীদেবীৰ প্ৰশ্নৰ উত্তৰত কৈছে—

"কলৌ পাপযুগে ঘোৰে তপোহীনেঽতি দুস্তৰে।
নিস্তাৰ বীজ মেতাবৎ ব্ৰহ্ম মন্ত্ৰস্য সাধনং॥
সাধনানি বহুক্তানি নানা তন্ত্ৰাগমাদিষু।
কলৌ দুৰ্ব্বল জীবানামসাধ্যানি মহেশ্বৰি॥
* * * *
তেষাং হিতায় মোক্ষায় ব্ৰহ্ম মাৰ্গোঽহমীড়িতঃ"

আমি ওপৰত কৈছোঁ—নাদ-ব্ৰহ্ম, শব্দ-ব্ৰহ্ম, নাম-ব্ৰহ্ম এইবোৰ একে কথাই। নামেই ব্ৰহ্ম, নাম গালেই ব্ৰহ্মৰ উপাসনা হয়।

"ন নাদেন বিনা জ্ঞানং ন নাদেন বিনা শিবঃ।
নাদৰূপং পৰং জ্যোতিৰ্নাদৰূপী স্বয়ং হৰিঃ।"

অৰ্থাৎ নাদ (শব্দ বা নাম) ব্যতীত জ্ঞানেই নহয়। মঙ্গলময় শিৱ শব্দ বিৰহিত নহয়। জ্যোতিৰ্ম্ময় পৰমব্ৰহ্ম নাদৰূপী; হৰি পৰমেশ্বৰ স্বয়ং নাদৰূপী অৰ্থাৎ নামৰূপী।



এই নামৰূপী পৰমব্ৰহ্মৰ উপাসনা আমাৰ যিজন পৰম কৃপালু শঙ্কৰদেৱে প্ৰচাৰ কৰি গল, সেই জনৰ ওচৰত কৃতজ্ঞতা জনাই—

"নাম লোৱা বাপুসকল, নকৰিবা হেলা।
তামে সে ৰাখিব ঘোৰ শঙ্কটৰ বেলা॥"
"হৰেৰ্ণাম হৰেৰ্ণাম হৰেৰ্ণামৈব কেৱলং।
কলৌ নাস্ত্যেব নাস্ত্যেব নাস্ত্যেব গতিৰন্যথা॥"

এতেকে ভাই, ভয় নাই,—ভয়ৰ তো কথাই নাই, পৰমানন্দ মিলিব, কায়বাক্য মনেৰে ৰাম বোলা, কৃষ্ণ বোলা! সকলো নামৰ সাৰ ৰাম কৃষ্ণ নাম। ঈশ্বৰে ডাঢ়াই ডাঢ়াই কৈছে, promise কৰি কৈছে—

"যাধৰে বোলন্ত লোক কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি
সততে স্মৰে যিতোজন।
জলহন্তে যেন পদ্ম নৰকৰপৰা তাক
আপুনি উদ্ধাৰোঁ বঙ্গ মন॥" —ঘোষা।

——

# নিবেদন।

(১)

(মোৰ) এখনি ফুলনি এপাহি কুসুম
উলাহেৰে তাত ফুলিছে,
ৰতাহৰ সতে উমলি-জামলি
ৰঙতে হালিছে-জালিছে।
কত দিন দেহি কত আশা কৰি
ফুলো ফুলো বুলি ফুলিব নোৱাৰি,
আজি হৰষত, জগত মাজত,
গোন্ধৰ সৰুঁৱা মেলিছে,
হৃদি-ফুলনিত ফুলপাহি মোৰ
হাঁহি হাঁহি আজি ফুলিছে।

( ২ )

সেই ফুলপাহি তোমাৰ কাৰণে
যতনেৰে আজি ধৰিলোঁ,
তোমাৰ পূজাত দিবলৈ নাথ
হেঁপাহেৰে আগ বঢ়ালোঁ।
ধূপ ধূনা মোৰ একোৱেই নাই,
শূন্য পৰাণে কৰে হায় হায়!
চকুলো দুধাৰি পৰিছে বাগৰি
তাৰেই চৰণ ধুৱালোঁ,
হৃদয়ৰ দান লোৱাঁ হে দেৱতা
বৰ হেঁপাহেৰে আনিলোঁ।

( ৩ )

(মোৰ) এখনি বীণত এডালি তাঁৰত
একেটি সুৰকে বাজিছে,
বীণৰ সুৰত, হে মোৰ দেৱতা,
তোমাৰ সঙ্গীত উঠিছে।
আশা নিৰাশাৰ করুণ কাহিনী,
শুনি নিতে নিতে লাগিছে আমনি,
দিয়াঁ দেৱ! বল, ভকতি সম্বল
অভাগা সেৱকে মাগিছে,
জীৱনৰ বীণ লই আজি নাথ!
চৰণ তলত ৰহিছে।

( ৪ )

অসীম মুকলি আকাশ তলত
কৰিলোঁ সঙ্গীত ৰচনা,
নিৰলে নীৰৱে হৃদি-মন্দিৰত
কৰিলোঁ তোমাক থাপনা।



প্ৰকৃতি বুকুত তোমাৰ হাঁহিটি,
দেখোঁ দশো দিশে তোমাৰ ছবিটি,
ই-বিশ্ব মাজত, তোমাৰ হোমত,
সপিলোঁ সকলো কামনা,
তোমাকেই যেন সকলোতে পাওঁ
এয়ে মাথো মোৰ বাসনা।

( ৫ )

বাটকৰা মই ওলালোঁ পুৱাতে,
আহিছোঁ উভতি ভাগৰি,
যাওঁতে বাটত ধৰিছিলোঁ কত
আকাশ-কুসুম সাদৰি।
নতুন কিৰণে জিলিকালে কত,
সৌন্দৰ্য্যৰ ৰাশি আশা শত শত,
ছবি ধৰি ধৰি, পিছে পিছে লৰি
গলোঁ মোৰ বাট পাহৰি,
নামিল আন্ধাৰ, ছবি মোৰ প্ৰভু,
লুকাল কেনিবা আঁতৰি।

( ৬ )

খেলা অৱসান হল এবে নাথ,
সন্ধিয়াই দিলে জাননী,
পৰিছে কাণত মহাসগৰৰ
মধুৰ মঙ্গল ৰাগিনী।
বাজে অন্তৰত বিদায়ৰ গীতি,
নামিছে নীৰৱে সৰগ জেউতি,
এই পোহৰতে, তোমাৰ ঘাটতে
বান্ধিলোঁ জীৱন-তৰণী,
নিবেদন প্ৰভু, তব চৰণতে
লভো যেন শেষ শৰণি।

মন্থ।

---

# বৰবৰুৱাৰ "প্ৰত্নতত্ত্বৰ" প্ৰতিবাদ।

( এই প্ৰবন্ধ বঙ্গলাত লেখা হৈছিল, কিন্তু বৰবৰুৱাই অসমীয়া ৰাইজৰ হিতাৰ্থে তাক অসমীয়ালৈ ভাঙ্গি ৰাইজৰ আগত উলিয়ালে। )

মশাই বৰবৰুৱা, আপুনি বৰ কথকী, দন্দুৰা আৰু মইমতালী ভাবৰ ভঁৰাল। তাতে আকৌ হেনো ( মানুহৰ মুখে শুনা কথা ) অলপমান কথাতে আপুনি আপোনাৰ বৰপেটৰ ভাৰ আওকাণ কৰি হাতত টাঙোন লৈ খেদা মাৰে। এই এই কথা যদি সঁচা হয়—তেন্তে আমি নো কোনটো সাহেৰে এনে "বদ লোকৰ" লগত কথা কটাকটি কৰিম ?

সি যি হওক সম্প্ৰতি মোৰ কব লগীয়া কথা এই যে, যে "ৰাধা" সম্বন্ধে আপোনাৰ "প্ৰত্নতত্ত্ব" সম্পূৰ্ণ ভুল। এই কথাৰ প্ৰমাণ অতি সহজে মই কৰি দিম।

১ম নম্বৰ। আপুনি ৰাধাক যে বঙ্গালনী বুলিছে সেইটো আপোনাৰ সম্পূৰ্ণ ভুল। এনে খবৰ্ ওতি নাইকিয়া, নিজৰ স্বামীক এৰি পৰৰ পাছে পাছে ফুৰা মানুহ "যুদ্ধ কৰিল প্ৰতাপাদিত্য"ৰ দেশত কেতিয়াও ওপজা নাছিল। "পত্নী" শব্দটি বঙ্গলা শব্দ ( কাৰণ সংস্কৃত শব্দ হলেই সি বঙ্গলা শব্দ ) কাজেই আপুনি ৰাধাৰ তত্ত্বটোক "পত্নীতত্ত্ব" বুলি বঙ্গালীৰ অপমান কৰিব খোজে নে কি ? সেইয়ে যদি আপোনাৰ মতলব হয় তেন্তে বৰবৰুৱা সাৱধান ! আমাৰ শাণিত অস্ত্ৰসকলেৰে আপোনাৰ বৰ পেটটো বিদাৰণ কৰি বহুদিনৰপৰা সাঁচি থোৱা অশেষ জিনিছ উলিয়াই বঙ্গৰ "প্ৰত্নতত্ত্ব লাইব্ৰেৰিত" "গ্লাস কেচত" সুমাই থম।

২য় নম্বৰ। মই কওঁ যে আসামত যেতিয়া "ৰাধাকুণ্ড" আছে আৰু বিশেষকৈ কামৰূপত "ৰাধাকুচি" আছে, তেজপুৰত "ৰাধাকান্ত" আছে, নগাৱঁত "ৰাধাপুখুৰী" আছে, শিৱসাগৰত "ৰাধাৰুক্মিণী" আছিল আৰু ডিব্ৰুগড়ত আমাৰ পৰম বন্ধু "ৰাধানাথ" আছে, "ৰাধা" নিশ্চয়েই অসমীয়ানী আছিল। দুৰ্ভাগ্যবশতঃ প্ৰসিদ্ধ "ঘোষ" বংশসম্ভূত শ্ৰীআয়ানচন্দ্ৰ ঘোষৰ লগত তেওঁৰ অশুভ পৰিণয় হৈছিল। তেওঁ বৃন্দাবনৰ নন্দঘোষৰ পুত্ৰ কৃষ্ণচন্দ্ৰ ঘোষৰ ফুচুলনিত পৰি পলাই গুচি গৈছিল। কৃষ্ণৰ ভাগ্য ভাল আছিল যে তেতিয়াৰ দিনত আমাৰ চোকা উকীল নাছিল; নহলে তেওঁ কুলকবি খাব লাগিলহেঁতেন।



এতেকে মই কওঁ যে ৰাধা নিশ্চয় কামৰূপৰ "ৰাধাকুচি" গাৱঁত উপজিছিল। প্ৰমাণ ওপৰত কোৱা ক। আৰু মোৰ নাম। আপুনি যদি মোৰ কৃত "প্ৰত্নতত্ত্ব-কেঞ্চাবন" নামে কিতাপখনি পঢ়ে তেন্তে ভু পাব—কেঞ্চাবন যেনেকৈ এডাল গজিলেই তাৰ অসংখ্য পোখা হয় তেনেকৈ মোৰ সাৰুৱা মূৰটোত "প্ৰত্নতত্ত্বৰ" গুটি পৰিয়েই কি দৰে নানা কথা পোখাবলৈ ধৰিলে। মোৰ উক্ত কিতাপৰ দ্বাৰাই মই প্ৰমাণ কৰিছোঁ যে মৎস্য, কূৰ্ম্ম, নৰসিংহ আদি দশ অৱতাৰ ঢাকাত "পয়দা" হৈছিল। ভীম, চিজাৰ আৰু আৰ্কিমিদিচ্ আথাউৰাত পয়দা হৈছিল। আগামলৈ অলপমান যে থোৱা নাই এনে নহয়। মোৰ মতে জাম্বুবান আৰু হনুমান তেজপুৰৰ কথিবাৰি চুকত জন্মগ্ৰহণ কৰিছিল। তদুপৰি মই ভালকৈ কওঁ যে বেহুলা বঙ্গাল দেশত উপজিছিল, নহলে ইমান সতী হব কেনেকৈ ? ভগদত্ত ঢাকাত উপজিছিল, নহলে এনে বীৰ হব কেনেকৈ ? উষা চিলেঠত উপজিছিল, নহলে এনে সুন্দৰী হব কেনেকৈ ? অনন্তকন্দলি শ্ৰীহট্টদেশৰ কালাউড়া গাৱঁত উপজিছিল, নহলে এনে সুললিত ভাষা তেওঁ পাব ক'ত ? এই কথা যদি আপুনি বিশ্বাস নকৰে তেন্তে অসমীয়া মানুহে নজনাকৈ যিবিলাক প্ৰবন্ধ মই মনে মনে "সাহিত্য ঢেকী" পত্ৰিকাত ছপাই উলিয়াইছোঁ তাক পঢ়ি চালেই আপোনাৰ "আক্কেল গুৰুম" হব।

মশাই, আমাৰ দেশত কত যে "বিদ্যা-পুখুৰী" "প্ৰত্নতত্ত্ব-পৰ্ব্বত" "ব্যাকৰণ-ফেচা" আৰু "কাব্য-হড়্" আছে আপুনি তাৰ খবৰ ৰাখে নে ? কালিদাস যে নদীয়া শান্তিপুৰৰ মানুহ, অশোক যে পকা বাঙ্গালী, জাপানীবিলাক যে বাঙ্গালীৰ সন্তান, আৰু চিতোৰৰ ৰাণা প্ৰতাপসিংহৰ আদি পুৰুষ যে বঙ্গদেশৰ মইমনসিংহ জিলাৰ ক্ষুদিৰাম বটব্যাল আছিল তাক উপৰোক্ত "পুখুৰী" "পৰ্ব্বত" "ফেচা" "হড়্" সকলে লগ লাগি যে বঢ়িয়াকৈ প্ৰমাণ কৰি দিছে আপুনি জানেনে ?

সি যি হওক "প্ৰত্নতত্ত্ব" সম্বন্ধে আপোনাৰ এই প্ৰবন্ধ দেখি বুজিলোঁ যে এই বিষয়ত আপোনাৰ বেছ "নাথা" আছে। আপুনি আমাৰ "প্ৰত্নতাত্ত্বিক" দলৰ নেতা হবৰ লায়ক মানুহ। ৰাধাৰ লগত দৰ্শন হোৱাত গুৱাহাটীৰ মৌলবি ফচিয়ৎ-উল্লাই যি ফুকাকি সুললিত ভাবময়ী কবিতা আওৰাইছিল সি এই যুগত ওলোৱা সকলো "প্ৰত্নতত্ত্ব" বিষয়ক আবিষ্কাৰকে তল পেলালে। আপুনি আমাৰ দললৈ আহক। আমাৰ বৰ নায়ক কৈ লাগে যদি এটা একটিং কামকে দিয়াম।

আপোনাৰ ভাই ভাগী বহুতে আমাৰ দলত যোগ দিছে। তেওঁলোকে নানা ৰকমে সহায়ো পাইছে। আহক, বৰবৰুৱা কুলকেশৰী আহক, আপোনাক ছুয়ো হাতে ( যিমান দূৰলৈকে—ঢুকি পোৱা যায় ) আকোঁৱালি ধৰি মোৰ তাপিত হিয়া শীতল কৰোঁ। ( বুকে বুকে লাগিবৰ সম্ভৱ নাথাকিলেও অন্ততঃ পেটে পেটে লাগিব আৰ মোৰ তাপিত পেট চেচা হব )। এই প্ৰস্তাৱত যদি সম্মত নহয় "সাহিত্য ঢেকী'' পত্ৰিকাত লেখি আপোনাৰ জাতি ধৰ্ম্ম বংশমৰ্য্যাদা সকলো নষ্ট কৰি দিম। একেবাৰে নাহক কৰি দিম। ইতি

আপোনাৰ—

শ্ৰীকেনাৰাম ঢোল্।

"শুকুলাহচু, বিষ্ঠা থুসুপাক" ( এই উপাধিটো মই আসানলৈ যাওঁতে চাৰিং গাৱঁৰ মেনা গাওঁবুঢ়াৰ নামঘৰত ৰাইজৰ অনুমতি মতে ফেকু মণ্ডলে দিছিল )।

---

# দিল্লীত দিন দিয়েক।

দিল্লীত মালবস্তুবিলাকৰ দাম চৰা। লাও বেঙেনা আদিও ওজন মতেহে বচে। পাঁচ পইচাত এটা বৰ বেঙেনা কিনাৰ কথা মনত আছে। সস্তাত পোৱা যায় মাথোন মঙহ। হিন্দুৱে খোৱা মঙহও সেৰে চাৰি অনা। ভাষা বেলেগ গতিকে বস্তুবিলাকৰ নামো লব। বগৰিক বৈত, কৰ্দ্দৈক কামেত বোলে, ইত্যাদি। দিল্লীত মিঠাইৰ বিধ সবহ যেন দেখিলোঁ। দিল্লীৰ গৰুবিলাকহে আকৌ মহতকৈ ওখ ডাঙৰ যেন লাগিল। ঠাই থৰ্থৰীয়া। নিমগছ অনেক দেখিছিলোঁ। আপচু অথচ উপকাৰী উট আৰু সিংহতৰ গাড়ী দিল্লীত দেখা প্ৰথম। আসাম, বঙ্গ আৰু দিল্লীৰ গৰু গাড়ী একে নহয়, কলিকতীয়া গৰু বা মহৰ গাড়ী ঠেক দীঘলীয়া। দিল্লীৰ গাড়ীৰ চকাবিলাক চাপৰ। গাড়ীলৈ যুৱলিৰপৰা কাঠ লগোৱা আছে। গৰু মনোনয়। সেইবাবে প্ৰায় গাড়ী গুটীয়াকৈ টনায়।

গাধা জাকে জাকে দেখিবলৈ পোৱা যায়। মহৰ পিঠিটো বোজা কঢ়িয়ায়। লাপুটি বহুত পোৱা যায় সঁচা, দাম কিন্তু তাকৰ নহয়। দিল্লীত জাৰ যেনে জহো তেনে হেনো। তাত মাখিৰ বৃদ্ধি বেছি যেন লাগিল। আত দৰিদ্ৰটোৱে উদং



ভৰিবৰে আছে যদিও টকলা মূৰেৰে থকা নাই। ধূলিয়ে গোটেই দিল্লী এদিন ডাৱৰীয়াৰ দৰে ধোৱাকোৱা কৰিছিল, কিছুপৰৰ পাছত আকৌ ফৰকাল হল। মাজে সময়ে বোলে এনেকুৱা হয়। দিল্লীত ডাক-বঙ্গলা নাই, হোটেল আছে। দিল্লীৰ সুপ্ৰসিদ্ধ চিকিৎসক এজন আৰু তেওঁৰ ঔষধালয়টো দেখিছিলোঁ। সেই জন হৈছে হাকিম হাফিজ উলমুক্ত আজমল খাঁ। কোনো ৰজা মহাৰজাই দিনে হেনো হেজাৰ বাৰ-শ টকা খৰচা দি চিকিৎসা কৰায় গৈ।

দিনদিয়েকৰ পাছত চাৰবাচিও ভালহৈ আহিল। অনৰেবল বৰুৱা ডাঙৰীয়াইও আৰোগ্য লাভ কৰিলে। আমাৰ হৈ যোৱা আহুকাল বা অসুবিধাৰপৰা মই অনেক শিক্ষাহে পাইছিলোঁ। দিল্লীত জাতীয়তাৰ বিষয়ে শিক্ষা কৰিব লগীয়া ভালেখিনি নিদৰ্শন পোৱা গৈছিল। ভাৰতৰ গণ্যমান্য জননায়ক মনস্বী পুৰুষ জনদিয়েকক দেখিলোঁ ; দিল্লীলৈ যোৱাৰ সেইয়ে সাফল্য।

## অহা।

ফেব্ৰুৱাৰিৰ ১৩ তাৰিখে আমি দিল্লী পাইছিলোঁ গৈ। শ্ৰীযুত অনৰেবল বৰুৱা এপ্ৰিলতহে ঘূৰাৰ কথা। তেখেত দিল্লীত সিমান দিন থাকিব বুলি মোৰ বোধ নাছিল। কেইবাটাও কাৰণত মই অকলেই গুচি আহিব লগা হল। অনৰেবল ৰায়বাহাদুৰ ডাঙৰীয়াৰ অনুমতিলৈ আহিবলৈ প্ৰস্তুত হলোঁ।

ৰাতি বেলত অহাৰ কথা। আৱেলি ভাগতে অফিচাৰজনেৰে সৈতে টিকিত কিনিবলৈ গলোঁ। দিল্লীৰ ষ্টেছনেই এখন নগৰ। ই এটা ভাৰতৰ প্ৰধান জংচন E.I.R, B.B.C.I.R. N.W.R, G.I.P.R, D.A.K.R এই প্ৰধান ৰেল-বিলাকৰ দিল্লী আড্ডা। ৰেলৰ আলিৰ ওপৰে মানুহ, গাড়ী অহা যোৱা কৰা আলি বহুত। পোৱা মাইলমান দীঘল মাটিতে ওপৰেদি যাবলৈ দিয়া ক্ৰচিং ব্ৰিজ Crossing bridge ও ৩খন কি ৪ খন। ষ্টেছনত টিকিত লোৱা সাধাৰণ কথা নহয়। যাত্ৰীও শুদাশুদি নহয়। অসংখ্য "চাইনবৰ্ড" চাই খপিয়াই জপিয়াই অলপ "মেহেৰবানি" কৰিহে আধা ঘণ্টা মানৰ মূৰত টিকিতটোকে কিনিব পৰা হল।

ৰাতি খাইবৈ আহিবৰ নিমিত্তে প্ৰস্তুত হলোঁ। আগেয়ে কৈ যোৱা টঙ্গাখনলৈকে অপেক্ষা কৰি থকাহলে সেইদিনা আহিব পৰা নহয়। বাটৰপৰা পট্ কৰে আন এখন গাড়ী নি সাউত্ কৰে অহা হল। মোক বেলত তুলি থবলৈ অফিচৰজনো আহিছিল। মুৰামুৰি সময়তহে ষ্টেছন পোৱা হল। গাড়ীৰ অত্যন্ত ভিৰ।

কুলী এটাই ট্ৰাঙ্ক আৰু টোপোলাটো লৈ বেঞ্চলৈ নিলে। তাত প্ৰথম দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ যাত্ৰীৰ "প্লেট ফৰ্মলৈ" সোমোৱা "গেট" বেলেগ। মোৰ টিকিত টো চাই ভৰক্ কৰে সোমাই যোৱা কুলীটো দুৱৰী জনে খুৰাই পঠিয়ালে। মই তৃতীয় শ্ৰেণীৰ যাত্ৰী নহয় বুলিহে সি গৈছিল। আন এখন গেটেদি হেজাৰ-বিজাৰ মানুহৰ মাজেদি কুলীটোৰ গাতে লাগি গলোঁ। অফিচৰজন "প্লেটফৰ্মলৈ" সোমাবলৈ নহল। এটা কোঠাত কুলীটোৱে হেচিঠেলি সুমালেগৈ। তাত থকা শিখ কেজনে মই উঠাত বৰ আপত্তি কৰিছিল। তেওঁলোকও কলিকতালৈকে আহিছিল। সিহঁতক গোটাদিয়েক ষ্টেচন আহোঁতেই জনদিয়েক যাত্ৰী নামিল। তেহে সুবিধাকৈ থিতাপি লব পাৰিলোঁ। দিল্লী মহা নগৰীক এৰি আহোঁতে আহোঁতেই টোপনিয়েও লাহে লাহে সম্ভাষণ কৰিছিল; কিন্তু বহুত ৰাতিলৈকে শোৱাৰ সুবিধা কৰিব পৰা নাছিলোঁ। কাণপুৰত ৰাতি পুৱাল। তাত গাড়ী ভালেমান পৰ ৰৈছিল।

দুপৰীয়া ভাগতে এলাহাবাদত গাড়ী উপস্থিত। ষ্টেছনত কিনা বেচাৰ ধুমধাম্ লাগিল। মই খোৱাৰ উপৰিও ম'ৰা পাখীৰ বিচনী দুখন কিনিলোঁ। দুপৰীয়া বদ। যমুনাৰ দলং পাৰ নোহোৱালৈকে ৰেল লাহে লাহে গৈছিল। নগৰৰ ঘৰবাৰী গছ-গছনি উজ্জ্বল দেখা গৈছিল। আনি বাটবিলাক বতাহত পৰিষ্কাৰ হৈ পৰিছিল। আলিৰ দাতিত মল ধৰা শাৰী শাৰী আম গছবিলাক দেখা গৈছিল।

আমাৰ ওচৰতে এখন গাড়ীত শিখ চিপাহী খুন্দ খাই গৈছিল। সিঁহতে ষ্টেছনত গাড়ী এৰিবৰ হলেই মাজে সময়ে কিৰিলি মাৰি ফুৰ্ত্তি কৰি গৈছিল। কেতিয়াবা ষ্টেছনত বস্তু বেচোতাবিলাকক আমনিও কৰিছিল। ফতেপুৰ ষ্টেছনত এটা মিঠাইৱালাক মাৰ্যাতকে কৰিছিল। তাৰ বিচাৰো হৈছিল।

সোন নৈখন ভালেমান বহল। ভোগদৈ নৈৰ নিচিনা তৰাং। ৰেলৰ দলং খন ডেৰ মাইল কি দুমাইল মান লাগিল। কোৱা শুনিলোঁ উত্তৰ ভাৰতৰ এইখন এখন ঘাই দলং।

ৰাতি কোনোবা এটা ষ্টেছনত আমাৰ কোঠাত চাৰি গৰাকী বঙ্গালী উঠিল, তেওঁলোকৰ গেৰুৱা বসন আছিল। দুজন মতা দুজন মাইকী। তেওঁলোকে তানপুৰাৰ নিচিনা এটা বাজনা আনিছিল। তাকে বজাই মাজে সময়ে আমোদ কৰিছিল। ৰাতি গাজীপুৰতে নামি তেওঁলোক গয়ালৈ গল।



শিখ তিন জনৰে সৈতে আমি চাইজনৰ বাজে আমাৰ কোঠাত কত যাত্ৰী কত ঠাইত উঠা নমা কৰিছিল তাৰ একো হিচাপ নাই।

যাওতে ৰাতি পাৰহৈ যোৱা বঙ্গদেশৰ ঠাইখিনি আহোঁতে পুৱা চকুৰে চাই আহিব পাৰিছিলোঁ। হো হো কৰে গাওঁ নগৰ অনেক পাৰহৈ আহিবলৈ ধৰিলোঁ।

চন্দননগৰ পাওতেই বসন্তৰ প্ৰিয় কুলিৰ আপুৰুগীয়া মাত কানত পৰিছিল। দুপৰ নৌ হওতেই ৰেলে সকলোকে হাওৰাত এৰি দিলেহি। থাপ্ লৈ থকা গাড়ী এখন ধৰি ফট্ কৰে উঠি আমহাৰ্ষ্ট ষ্ট্ৰীটলৈ ওলালোঁ।

কলিকতাত ছদিন কটালোঁ। ইন্দ্ৰপুৰী নন্দন কানন যেন "ইডেন গাৰ্ডেনৰ" কুঞ্জবনৰ কৃত্ৰিম আৰু প্ৰাকৃতিক শোভা আৰু হৃদয়ৰ আবেগ খোলা শান্তিৰ কোমল কোলাত কোন আবদ্ধ নহব? পশু পক্ষীৰ বাসস্থান "জু-গাৰ্ডেনত" কত বাঘ সাপ, চৰাই পহু আদি আবদ্ধ হৈ আছে। অনেক প্ৰাণী দেখি কৌতুহল জন্মিছিল যদিও শোৱা খোৱাত বেচি দুখ কষ্ট নেপালেও স্বাধীনতাৰ অভাবত সিহঁতৰ প্ৰাকৃতিক দৃশ্য ভালকৈ টানিলে বিবৰ্ণ যেন দেখি। যাদু ঘৰ বা ইণ্ডিয়ান মিউজিয়ম চোৱা নহলে কলিকতালৈ যোৱা অনৰ্থক বুলিলেও হানি নাই। এটা ভয়ঙ্কৰ অট্টালিকাত অপাৰ বস্তু অপাৰ মূৰ্ত্তি প্ৰতিমূৰ্ত্তি আদি আছে। তাত পাঁচোটা বেলেগ ভাগ; যেনে ভূ-তত্ত্ব, প্ৰত্নতত্ত্ব, প্ৰাণী আৰু মানৱতত্ত্ব, শিল্পতত্ত্ব আৰু কৃষি আৰু উদ্ভিদ তত্ত্ব। বিষয় কেইটাই গাহিনা তাৰ নো বিশেষ কি কম। ইয়াকে মাথোন কওঁ,—সকলো বিলাক এদিন ঘূৰি পকি "দুৰদৰ্চে" চোৱা হল। এজন বিজ্ঞ বন্ধুৰ সহায়ত ভালে খিনি কথা বুজাও হল। নানা দেশ নানা ঠাইৰ কতনো বসন-ভূষণ বাচন-বৰ্ত্তন, অস্ত্ৰ-শস্ত্ৰ, কল-কৌশল, জীৱ-জন্তু, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ নিদৰ্শন জিলিকি আছে। অদ্ভুত আৰু আচৰিত কত কি যে দেখিবলৈ পোৱা যায়।

কলিকতাত লটংপটং ঘটংমটং কৈ ঘূৰি পকি ফুৰি অনেক ঠাই অনেক বস্তু চাই, ভোক পিয়াহ লাগিলেই দোকান বজাৰত চাহ জলপান খাই, পকাঘৰ পকা বাট আৰু সীমা সংখ্যা নোহোৱা হৰেক ৰকম মানুহৰ আগওৰি বেহৰূপ চাই, পাঁচদিন পঠিয়ালোঁ। তাৰ পাচৰ দিনা ৰাতি শিৱৰাত্ৰি। নাট্য-মন্দিৰত মনমোহা অভিনয় চাই সম্পূৰ্ণ ৰাতি উজাগৰে থাকিলোঁ। দুপৰীয়া পকা ঠাইত খাই বৈ জিৰাই শুতাই চুৰিয়া গামোচা আদি তুপুংকৈলৈ গিৰিস্ কৰে ঘৰলৈ ওলালোঁ। তিনজন বন্ধুৱে চিনি জানি নোপোৱা আওভাও নজনা এই ভেবা প্ৰবাসী জনক অনুগ্ৰহ কৰি ষ্টেচনত ঠিক ঠাই কৰি দি গলহি।

বদে বতাহে সময়ে অসময়ে ফুৰাত আৰু শোৱা খোৱাৰ ব্যতিক্ৰমত গা বৰ ভাল নাছিল। কলিকতাত থাকোতেই হঠাৎ এদিন জ্বৰ অনুভৱ কৰিছিলো। ৰেলত উঠি ট্ৰাঙ্কটো ওপৰত তুলি টোপোলাটোত আঁউজি শুই আছিছিলো। অলপ টোপানিয়েও ধৰিছিল।

ৰাণাঘাট ষ্টেছনৰ ওচৰতে ঘৰং কৈ উঠা শব্দ এটাত চক্‌মক্ খাই চকু মেলি চালো ওচৰৰ যাত্ৰী খিনিয়ে পৰিল পৰিল কৰিছিল। দেখো মোৰ ট্ৰাঙ্কটো ৰেলৰ জোকাৰনিত খহি পৰিল। এজনে বাকচটো ঠেলি ভৰিত মোহাৰি সেমেনা-সেমেন কৰিছে। মুখলৈ চালো ভদ্ৰলোক জনৰ নাকৰ গুৰিতে ভালেমান উখহি আছে। মোৰ ভয় লাগি গল। ভাবিলো কিবা লেঠা লাগিবনে কি? সোধাত তেওঁ কলে ভৰিত অলপহে দুখ পাইছোঁ। নোসোধাকৈয়ে বুজিলো, তেওঁৰ সেই ডোখৰ আগৰে উখহা।

বাটত ছুটা মিঠাইৱালাইও অলপ বদ্‌মাচি কৰিলে। এটাই গোটা টকাটো পাই জোখাতকৈ অধিক মিঠাই লোৱালে। ৰেলত সকলো ঠাইতে টকা ভঙ্গাবলৈ সুবিধা নহয়।

পাচদিনা দুপৰীয়া গুৱাহাটী পালোহি। তাতে জিৰনি লৈ ৰাতিৰ ধন ৰেললৈ বলো। গধূলি ভতাতৈয়াকৈ ভাত দুটামান খাই কথমপিহে ৰেল ধৰিলোহি। সেই ৰাতিটো নিচিন্ত মনেৰে শুই কটালো। ধনশিৰীলৈ নৌ পাওতেই ৰাতি পুৱাইছিল। জনপূৰ্ণ নগৰ মুকলি ঠাই দেখি আহি আসামৰ হাবি বননিৰ শোভা বুজিব পাৰিছিলো। দিল্লী কলিকতা আদিত দিনৌ আলপৈচান কৰা আতোল তোলকৈ ৰখা গছলতাৰ যি শোভা, আসাম কাম্যভূমিত ততোধিক জ্যোতি আৰু প্ৰীতিৰ গছলতাই কত ঠাই তিৰবিৰাই আছে। নিৰ্জ্জন ডাঠ হাবিত জাকে জাকে নানা সুৰ ধৰি মতা স্বাধীন চৰাইৰ শুৱলা মাত শুনিলে কোন মুগ্ধ নহয়?

বেলি নহিয়াওতেই আমগুৰি ষ্টেছনত ৰেলে এৰিলে। সেইদিনা মাৰ্চৰ পাঁচ তাৰিখ দেওবাৰ। ঠিক এমাহৰ আগতে গৈছিলো সেইদিনাও দেওবাৰ। এমাহৰ মূৰত ঈশ্বৰৰ অনুগ্ৰহত নিৰাপদে আকৌ ঘৰ ওলালোহি।

---



# আসাম এচোচিয়েচনৰ আগত এটি প্ৰস্তাৱ।

জয় জয়তে কৰলৈ গলে. আজি আসামৰ ইমূৰৰপৰা সিমূৰৰ সকলোবিলাকেই এই সভাত যোগ দিছোঁহি। উদ্দেশ্য কেৱল কেনেকৈ আমি আমাৰ দেশৰ হিত চিন্তা কৰো, আৰু কি কি উপায় কৰিলে আমাৰ দেশৰ উন্নতি হব। কিন্তু বৰ শোকৰ কথা এই সভাৰ আচল ধৰণী জনা অৰ্থাৎ মৃত মাণিকচন্দ্ৰ বৰুৱা যি জনে অহো পুৰুষাৰ্থ কৰি এই সভা থাপনা কৰি আজিলৈকে তাৰ অস্তিত্ব ৰাখিছে, সেই জন মহাপুৰুষ চিৰকাললৈ বিদায় ললে। ইয়াত কৈ আৰু শোকৰ কথা কি হব পাৰে।

পাছে সেই বুলি আমি আমাৰ কৰ্ত্তব্য কামৰ পৰা আঁতৰিব নালাগে। তেখেতৰ আদৰ্শকে মনত ৰাখি তেখেতে কই থৈ যোৱা গছ জুপি যাতে ভাল ফল দিব পাৰে, আমি তাৰেহে চেষ্টা কৰিব লাগে বুলি ভাবি আজি এই ডিবুৰুত লগ লাগিছোঁহি।

পাছে আমাৰ প্ৰধান কথা হৈছে যে আমি বছৰি বছৰি এঠাইৰ পৰা এঠাইত মিলি জুলি কিছুমান কথাৰ মহলা মাৰি আৰ অমুক হব লাগে তমুক হব লাগে, আমাক ই লাগে, সি লাগে সেই বাবে গৱৰ্ণমেণ্টক খাতিব লাগে, এই দৰে কিছুমান কথা উত্থাপন কৰিলেই আমাৰ নচলে। আমাক এতিয়া লাগে কাজ—কাজ মানে চৰ্কাৰি চাকৰি বুলি নধৰিব। অৰ্থাৎ আমাক যি যি লাগে সেইবিলাক হাতত লৈ কাম আৰম্ভ কৰা, নহলে আমি এই দৰে মুখেৰে Resolution প্ৰস্তাৱনা কৰিলেই নচলে। এই কথা কোনেও দুই কৰিব নোৱাৰে।

আমাক যেতিয়াই যি লাগে আমি গৱৰ্ণমেণ্টৰ ওচৰত কান্দোঁ, আৰু আমাৰ দয়ালু গৱৰ্ণমেণ্টেও যিমান দূৰ পাৰিছে সহায় কৰিছে, কিন্তু সেই বুলিয়েই সকলো কথাতে গৱৰ্ণমেণ্টৰ ওচৰত হাত পাতিলে কেনেকৈ চলিব, আৰু তেওঁলোকেও বা আমাক কিমান দিব। গতিকেই আমি আমাৰ নিজৰ গাত বল বান্ধি নিজে নিজে যিমান পাৰো কামত হাত দিব লাগে, আৰু তাৰ লগে লগে গৱৰ্ণমেণ্টৰো সহায় খুজিব লাগে, তেনেহলে তেওঁলোকেও আমাক অতি আনন্দৰে সহায় যে কৰিব নিশ্চয়।

পাছে সেই বিলাক কাম আমি নিজ হাতত লবলৈ গলে আমাক প্ৰথমে কি কি লাগে সেইটো চাব লাগে। সেইটো কি? সকলোৰেই কৰ টকা। অৰ্থাৎ হাতত টকা নহলে আমি কোনো কামকে অৰ্থাৎ কৃষি বোলা, শিল্প বোলা, বাণিজ্য বোলা, বাটে বোলা, একোতে আমি হাত দিব নোৱাৰো। গতিকে দেখা গল আমি ধন

গোটাব লাগিল। এতিয়া প্ৰশ্ন হব, সেই ধন হয় কৰপৰা, এইটোৱেই আমাৰ প্ৰথমে বিচাৰ কৰিব লগা হৈছে। National Fund জাতীয় ভাণ্ডাৰ, এটি খুলিব লাগে। খুলিব লাগে বুলি প্ৰস্তাৱ কৰি বহি থাকিলেই নহব। প্ৰতি চহৰে প্ৰতি গাৱেঁ প্ৰতি মহকুমাত এনে কেইজন মানুহ বাচি উলিয়াব লাগিব যে তেওঁলোকে যেন নিজৰ দেশৰ হিতৰ অৰ্থে মাহেকৰ ভিতৰত অন্ততঃ দহ দিন বা বাৰ দিন নিজৰ স্বাৰ্থ ত্যাগ কৰি হলেও ঘৰে ঘৰে ফুৰি যি পায় তাকে তুলি আনি ভাণ্ডাৰত জমা দিয়ে।

এই দৰে যদি আসামৰ ইমুৰৰ পৰা সিমুৰলৈ প্ৰত্যেকৰ পৰা অন্ততঃ চাৰি অনা কৰিও আদায় কৰে, তেনেহলেও মোৰ মনেৰে জাতীয় ভাণ্ডাৰত অতি কমেও ২।৩ লাখ টকা নিশ্চয় হব।

তাকে নকৰি অমুকে ৫৲ পাঁচ টকা দিব পাৰে তথাপি চাৰি অনাহে দিছে, আমি সেই পচা নলও। এই দৰে আমি অনাহকত অৱিয়াঅৱি কৰি বহি থাকিলে নহব। আমাৰ এতিয়া বহি থকা কাম নহয়। আৰু এটি কথা ইয়াতে কৈ থওঁ যে আমাৰ এটি বেয়া স্বভাৱ আছে সেইটি হৈছে পচাৰ কৰ্দ্দ চাই তুলনা কৰা, আৰু অমুক মানুহে ॥০ আনা দিছে, মই তেওঁতকৈ বহুতগুণে ভাল, গতিকে মই দুই অনা ৵০ হে দিম, এই দৰে অৱিয়া অৱি কৰাও আমাৰ অন্যায়। যাৰ যেনে ইচ্ছা সেই মতেহে পচা দিব লাগে আৰু লবও লাগে। লিষ্ট চাই পচা দিয়াটো প্ৰকাৰান্তৰে অনিচ্ছা ভাব দেখাৱ। সেই ৰকম অৱিয়া অৱি নকৰি নিজ ইচ্ছানুযায়ী যি হয় প্ৰতি মানুহে যদি এক অনাৰ পৰা আৰম্ভ কৰিও দিয়ে, তেনেহলেও প্ৰতি বছৰে আমাৰ জাতীয় ভাণ্ডাৰত যে বহুত টকা হব ই নিশ্চয়; তাকে কৰিবলৈ আমাৰ কিছুমান উৎসাহী আৰু উদ্যোগী মানুহ লাগে, যি সকলে নিজৰ স্বাৰ্থলৈ অল্প আওকাণ কৰি এই কামত লাগিব পাৰে।

আৰু এজন বা দুজন এনে মানুহ লাগে তেওঁলোকে প্ৰতি দুই বা তিনি মাহে সকলোবিলাক ঠাইত এবাৰ এবাৰ নিজে চাই আহি কোনে কিমান টকা দিছে কিমান উঠিছে আৰু যদি কোনোৱে পচা তুলিব পৰা নাই তেন্তে তাৰ কাৰণ কি কিহত নো কেৰোণ লাগিছে আৰু যাতে কোনকালে পচা উঠে তাৰ চেষ্টা তাৰ উপায় ইত্যাদি ভালকৈ কৰি বুজাই দিয়ে। আৰু যি সকলে বেছি পচা তুলিব তেওঁলোকক যোগ্যতানুসাৰে বছৰেকৰ মূৰত যেতিয়া কনফাৰেন্স বহে তেতিয়া তেওঁলোকৰ নাম



ৰিপোৰ্টত তুলি দি পাৰিলে কোনো এটা পুৰস্কাৰ দিবলই ঠিক কৰিব লাগে। এই উপায় কৰিলে বোধ কৰো অতি সহজতে এটা জাতীয় ভাণ্ডাৰ অলপ দিনৰ ভিতৰতে খুলিব পাৰি।

আমি এতিয়া গেলা গপ মাৰি কৰিম কৰিম বুলি মনতে আলচি থাকিলে নহয়। আলচ কৰি বহি থাকি জগতত কোনে কিমান কাম কৰিছে কব পাৰেনে? আৰু সদাই সকলো কথাতে গৱৰ্ণমেণ্টৰ সহায়লৈ আশা কৰি থাকিলেও নহয়। নিজে নিজৰ ভৰিত ভৰ দি থিয় হবলৈ চেষ্টা নকৰিলে তেওঁলোকে কিমান আমাক থিয় কৰি দিব। এতেকে ভাইসকল উঠা সভা পাতি বক্তৃতা কৰি, চিঞৰি বাথৰি থাকিলে নহয়—কামত হাত দিয়া।

বিদেশৰ পৰা পাঞ্জাবী, হিন্দুস্থানী নানা জাতিৰ মানুহ আহি আমাৰ আগত আমাৰ দেশৰ টকা নিব লাগিছে, আমি কি কৰিছো—তাকে চাই আছো, তালৈ এবাৰ মন কৈ চোৱা? ইয়াত কৰি আৰু আমাৰ কি বেজাৰৰ কথা আছে।

আজি কালি মানুহে ভাল টিনৰ ঘৰ, বা পকি ঘৰ সাজিব লাগিলেই পাঞ্জাবী আৰু হিন্দুস্থানী মিস্ত্ৰী লগাই, আমাৰ অসমীয়াই কি কৰিছে, তেওঁলোকে চকুৰ নজৰত কাঠ কাটোতে কাটোতে কাঠৰ পিনে কথিয়া মৰে, সেইদৰেই আন আন শিল্প, আমাৰ ইয়াত লাহে লাহে লোপ পাই আহিছে।

কপোৰ বোৱা সূতা কটা এইটো আমাৰ জাতীয় বৃত্তি, কিয়নো ইয়াত আমাৰ জাতৰ বিচাৰ নাই। কাঁহ কঁহাৰে, সোণ সোণাৰীয়ে, মাটিৰ পাত্ৰ কুমাৰে নিজ নিজ বৃত্তিৰ জাতৰ মানুহেহে কৰে, কিন্তু কাপোৰ বোৱা আমাৰ ইয়াত গোটেই তল জাতৰ পৰা ডাঙৰীয়া ঘৰৰ ভিতৰতো আছে, গতিকে ই আমাৰ universal সাৰ্ব্বজনীন। বামুণ, শুদিৰ, কমাৰ, কঁহাৰ, মছলমান, ডোম, হাৰি, কৈবৰ্ত্ত, কছাৰী সকলোৱেই কাপোৰ বব পাৰে, এই কাম কৰিলে আসামত কাৰো মান হানি নহয়, বৰং এই কামত যেয়ে বেছি পাৰ্গতালি দেখুৱাব পাৰে তিমান বেছি নাম। বৰ্ত্তমান এই হেন এটা সাৰ্ব্বজনীন বিদ্যাৰ গতি কি হৈছে এবাৰ ভাবি চাওকচোন। নিজৰ ঘৰুৱা কথা কবলৈ লাজ কৰা একো কাম নাই। আমি ইয়াক লাহে লাহে নীচ কামৰ শাৰীলৈ আনি প্ৰায় এৰি দিছো। আজি কালি কেইগৰাকী ভাল মানুহৰ তিকতাই সূতা কাটে, কেই গৰাকীয়ে লগুণ তৈয়াৰ কৰে কেই গৰাকীয়ে সূতাৰ সূতালাহি বা পাকাৰি কাটিব জানে, এনে কি, আজি কালিৰ

ছোৱালীয়ে তেনে কাম দেখিলে আচৰিত হে মানিব। আমাৰ ছোৱালীয়ে আজি কালি বোৱা কটা কিমান ভাল কৰি জানে? সেই খিনি ঠাই পূৰণ কৰিছে কিহে? লেখা পঢ়া, হাৰমনিয়ম বজোৱা, গান কৰা, হাতেৰে উলৰ কাম লেছৰ কাম মাচিয়াত বহি বহি কৰা। এই বিলাক কামো যে আমাৰ নালাগে এনে নহয়, কিন্তু আমাৰ জাতীয় বিদ্যা এৰি দি বিদেশী বিদ্যাটোক থামোচ মাৰি ধৰাটোহে ভাল নহয়। মোৰ বিবেচনাৰে আমাৰ আগেয়ে লাগে আমাৰ ছুৰিয়া, ৰিহা, মেখেলা, খনিয়া, গামোচা, তাৰ পাছত লাগে বেজিৰ আৰু উলৰ বিদ্যা। আমাৰ ইয়াত আগয়ে সকলো তিৰুতাই কি ভাল মানুহ কি ডাঙৰ মানুহ সকলোৱে জাতিনির্ব্বিশেষে সূতা কটা কাপোৰ বোৱা কাম নিঃসংকোচে কৰিছিল। এতিয়া কেইজনে সূতা কাটিব জানে কওকচোন, অথচ আমাৰ দেশৰ কপাহ মৰাপাত বিদেশীয়ে নি, সূতা তৈয়াৰ কৰি আনি আকৌ আমাৰ বস্ত্ৰ আমাকে বেচি দাম লৈ দিয়ে, তাকে কিনিহে আমি কাপোৰ বওঁ। আগেয়ে ছোৱালীক বিয়া কৰাব লাগিলেই ছোৱালীৰ হাতৰ বোৱা কটা চাইছিল, এতিয়া চাই হাতৰ আখৰ। গতিকে এতিয়া আমাৰ মানুহে পূৰ্ব্বৰ জাতীয় বিদ্যা যাতে সূতা কটা আদি শিপিনীৰ কাম ভালকৈ জানিব পাৰে সেই বোৰলৈহে যত্ন লোৱা উচিত।

আসামাৰ এৰি মুগাৰ সূতা কটা এতিয়াও চলিবই লাগিছে, কিন্তু ইয়াকো যদি সময় থাকোঁতেই আমি ভাল কৰি নালাগো আৰু উন্নত অবস্থালৈ নানো, ইও অলপতে আমাৰ হাতৰ পৰা যাব। আমাৰ এৰি সূতা ভাল কৰি কাটিব জানিলে, আৰু পানীত মুডুৰাই সূতা উলিয়াবৰ কোনো কৌশল উলিয়াব পাৰিলে কেনে যে বিতোপন চিকচিকিয়া সূতা তৈয়াৰ হয় কোনোৱাই মন কৰি চাইছেনে? ঠিক ভুটীয়া গোমসিং কাপোৰৰ নিচিনা চিকচিকিয়া হয়, পাচে কেই জনে সেইপিনে মূৰ ঘমাইছে, তাহানিথন মানধাতাৰ দিনতে যি এতিয়াও সেই। এতিয়াও আমাৰ ইয়াত কাপোৰ বোৱা বিদ্যা আছে কিন্তু আগৰ পুৰণি ফেচনত থাকিলে নহয়, যাতে আমি ভাল ভাল কাপোৰ উলিয়াব পাৰো তাৰ শিক্ষা কৰিব লাগে।

পাটৰ কাপোৰ নাই বুলিলেই হয়, আজি কালি যি পাটৰ কাপোৰ বুলি আমি ব্যৱহাৰ কৰো সি আমাৰ দেশৰ সূতা নহয়। চীন দেশৰপৰা অহা সূতাহে। আসামত যি অলপঅচৰপ অসমীয়া সূতা পোৱা যায় তাৰ দাম শুনিলে ভয় লাগে,



আৰু ইপিনেও মোটা সূতা। এই পিনে আমি একেবাৰেই আওকাণ কৰি বহি আছো।

সেই দৰেই সোণৰ কামৰ নিমিত্তে সোণাৰিক মাটিৰ কামৰ নিমিত্তে কুমাৰক ছবি অঁকা চিত্ৰ বিদ্যা ইত্যাদি সকলো বিধৰ বিদ্যা শিক্ষা কৰিবৰ নিমিত্তে আম ইয়াৰপৰা মানুহৰ বিদেশলৈ পঠাব লগাত পৰিছে। আমাৰ ইয়াৰ মাটিৰ পুতলা দেখিলে হাঁহি উঠে কিন্তু বঙ্গদেশৰ কুমাৰে মাটিৰ পুতলা কৰিয়েই মাহেকত শই শই টকা আৰ্জিছে।

আৰু চাওক আমাৰ ইয়াত ভাল কবিৰাজ এজনো নাই, নিজে পতা কবিৰাজ, আৰু পুৰুষানুক্ৰমে চলি অহা বা অলপ নাড়ীজ্ঞান কৰিব পাৰিলেই হোৱা কবিৰাজ আছে, কিন্তু জীবিত ঔষধ, বা ৰসায়ন ইত্যাদি কলিকতা ঢাকাৰ পৰা নালাগিলে উপায় নাই। ইপিনে কলিকাতাত চন্দ্ৰকিসোৰ সেন, নগেন্দ্ৰনাথ সেন কবিৰাজে ঔষধ বিক্ৰী কৰি লাখে লাখে টকা গোটাইছে আৰু আমাৰ ইয়াৰ কবিৰাজে দিনৰ ভাত মুঠিকে কোনো মতে উলিয়াব নোৱাৰে, এসময়ত এই আসামত এই বিদ্যাটো ৰৰ গৌৰৱৰ বিদ্যা আছিল, এতিয়া আৰু সেই দিন নাই। প্ৰতি ঘৰতে কলিকতাৰ ঢাকাৰ ঔষধ ভৰি আছে, আমাৰ দেশৰ ঔষধ কোনেও নিবিচাৰে, কিয়? কাৰণ ভাল ঔষধ পাবলৈ নাই। সেই নিমিত্তেই আমাৰ ইয়াৰপৰা দুই তিনিজন মানক ভাটীলৈ পঠাই ভাল কৰি শিক্ষা দি অনাই যাতে আমাৰ ইয়াত কবিৰাজীৰ বহুল বিস্তাৰ হয় তাৰে চেষ্টা কৰিব লাগে। নহলে এই বিদ্যাটো একেবাৰেই লোপ পাইছে বুলিব লাগে। আৰু ইপিনে একেটা বস্তুৰেই আমাৰ ইয়াৰ গুণ আৰু ভাটীফালৰ বস্তুৰ গুণ বহুত ভিন, কাৰণ আমাৰ থাৰ আৰু টেঙা পোৱা নাড়ীত ভাটীৰ ফালৰ বস্তুৱে তিমান গুণ দিব নোৱাৰে।

আকৌ আমাৰ ইয়াত হাবিয়ে বননিয়ে পর্ব্বতে পর্ব্বতে কত ঔষধৰ গছ যে অসংখ্য অসংখ্য পৰি আছে সীমা নাই, কিন্তু ইপিনে ভাটীৰপৰা বেঙ্গল কেমিকেল, ইণ্ডিয়ান কেমিকেল, ৰাণাঘাট কেমিকেল কোম্পানিবিলাকে এই আসামৰ পৰাই বছৰে বছৰে কিমান টকা নিব লাগিছে। মই নিজেই অতি কমেও ৮।৯ শ টকাৰ ঔষধ বছেৰেকত বিক্ৰী কৰি দিওঁ, আৰু সেইবিলাক কি? নিমৰ, আমলখি, শিলিখা বাঁহকা, অশোক, ডুমৰ ইত্যাদিৰ আৰক, কিন্তু আমাৰ ইয়াত আৰক বাহিৰ কৰা হয় আমি যদি ভাল কৰি আৰক উলিয়াব তেন্তে অতি কমতে তৈয়াৰ হব, আৰ এই

দেশৰ বস্তুৰ টকা ইয়াতে নাথাকেনে? পাছে কেইজনে এই বিষয় ভাবিছে? কেতিয়ানো আমাৰ এইবিলাক কথা মনত পৰিব? এইবিলাক কৰিবলই গলে আমি প্রতি বিষয়তে এটি দুটি লৰা বিদেশলৈ পঠাই তাত শিক্ষা দি অনাবৰ বিশেষ দৰকাৰ হৈছে।

এই বিলাক অসুবিধা গুছাবলৈ আমাৰ এণ্ট্ৰেন্স পাছ বি-এ পাছ নালাগে, যি বিলাক লৰাই একে শ্রেণীতে ৩।৪ বছৰ থাকি স্কুলৰপৰা খেদা খাই অকৰ্ম্মণ্য হৈ পৰিয়ালৰ গলগ্রহ হয় সেই বিলাকৰ আৰু যি বিলাকে লেখা পঢ়া অলপ জানে আৰু যাৰ যি বৃত্তি সেই বৃত্তি অনুযায়ী সেই শ্রেণীৰ লৰা দুই এজনক যদি বিদেশলৈ পঠাই শিক্ষা দি অনাও তেন্তে সিহঁত সংসাৰৰ এটি কামৰ মানুহ হৈ উঠে আৰু সিহঁতে আহি যদি ইবিলাক মানুহক শিক্ষা দিয়ে তেনেহলে আমাৰ অভাৱ অলপতে দূৰ হব।

এই বিলাক হাতত লবলৈকে আমাক টকা লাগে, হাতত টকা নহলে আৰু টকা গোটাবৰ উপায় এটা নকৰিলে আমি আৰু দহ বছৰ সভা সমিতি পাতি চিঞৰি থাকিলেও আমাৰ একো নহয়। মই লেখা কথাবিলাক যদি ডাঙৰীয়াসকলে দকৈ ভাবি চাই তাৰ প্রতিকাৰৰ চেষ্টা কৰে, তেনেহলে নিশ্চয় আসামত এটি নতুন যুগ হব, তাত অকণো সন্দেহ নাই।

সেইদেখি মই আজি শেষত প্রস্তাব কৰোঁ যে আজিয়েই, এই সভাতে আমাৰ National Fund জাতীয় ভাণ্ডাৰৰ জীৱন দিয়ক, আৰু তাকে ভাল কৰি চলাবলই ঠায়ে ঠায়ে কাৰ্য্য নিৰ্ব্বাহক সভা (Executive Committee) গঠন কৰি প্রতি গাৱঁত, প্রতি জিলাত, প্রতি মৌজাত প্রতি চবডিভিজনত যাতে এই কাম সহজে হয় তাৰ এটা দিহা কৰক, নহলে আমাৰ একো নহয়।

মোৰ আৰু বহুত কব লগা আছিল, কিন্তু ডাঙৰীয়াসকলৰ সেই বিলাক শুনিবলৈ সময় নহব দেখি আজি এই খিনিতে সামৰণি মাৰিলোঁ।

শ্রীদুর্গানাথ বৰুৱা।

---



# স্বৰ্গীয় ঘনশ্যাম খাৰঘৰীয়া ফুকন।

আহোম ৰজাৰ ৰাজত্বৰ শেষ সময়ত ১৭৯৫ কি ৯৪ খৃতঃ, জোৰহাটৰ কৰঙ্গাৰ চাৰিঙ্গীয়া গাৱঁত, ৺হলিৰাম বৰকাকতীৰ ঔৰসত ৺ৰৌ ৰাধিকাৰ গৰ্ভত ফুকনৰ জন্ম হয়। সেই সময়ত অসমৰ ৰাজপাটত স্বৰ্গদেউ কমলেশ্বৰসিংহ উঠিছিল।—ফুকন ডাঙৰীয়া এজন বৰ বুদ্ধিমান আৰু অধ্যৱসায়ী লোক আছিল। এখেতে সংস্কৃত বিদ্যাত বিশেষ ব্যুৎপত্তি লাভ কৰিছিল। শুনা যায়, ডাঙৰ ব্ৰাহ্মণ পণ্ডিতে যি কথা ভাঙিব নোৱাৰে, তাক ফুকনৰ ওচৰত ভাঙিছিলহি। এখেতে ভালেমান অসমীয়া পুথি লিখি থৈ গৈছে; তাৰে খনদিয়েক নিজে সংস্কৃতৰ পৰা অসমীয়ালৈ ভাঙিছিল। তেখেতে ভঙা পুথিৰ প্ৰত্যেক অধ্যাতে তেখেতৰ নাম আছে। কল্কীপুৰাণেই এনেবিধৰ উল্লেখযোগ্য পুথি। (১)—ইয়াৰ বাহিৰেও, একাদশ, দ্বাদশ আদি ভালেমান পুথি লিখি থৈ গৈছে। সেইবিলাক পুথিৰ কিছুমান তেওঁবিলাকৰ, জোৰহাটৰ ঘৰ পোৰোঁতে পুৰিলে। খনদিয়েক ৺আউনী-আটী সত্ৰৰ ৺দত্তদেৱ অধিকাৰ প্ৰভুৱে নি সত্ৰত ৰাখিছে। খনদিয়েক তেওঁবিলাকৰ ডিব্ৰুগড়ৰ ঘৰত আছে। আৰু দুখনমান তেওঁবিলাকৰ জোৰহাটৰ ঘৰত আছে। ইয়াৰে দুখন নে এখন পুথি,৺দেৰ্গাঁওৰাজ সত্ৰৰ ৺গুণহৰি অধিকাৰ মহন্তই নি থৈছে।

ফুকন ডাঙৰীয়াৰ দেউতাক ৺হলিৰাম বৰকাকতী শিৱসাগৰৰ চাৰিং কাকতী গাৱঁৰ ৺চাৰুচন্দ্ৰ বৰকাকতীৰ পুতেক। এওঁ, ওপৰ আসামৰ বিখ্যাত দুৱৰা কাকতী বংশৰ মাজুটো ভাগৰ সন্ততি। দুৱৰা কাকতীৰ পূৰ্ব্বপুৰুষ, কনৌজৰ পৰা আসামলৈ অহা এতিয়া ১২।১৩ পুৰুষমান হৈছে। এওঁৰ—সমসাময়িকে চলিহাকাকতীৰ আদিপুৰুষো আসামলৈ আহে। আসামত দুৱৰা, চলিহা দুঘৰ প্ৰসিদ্ধ লোক। এওঁবিলাক আসামত বসতি কৰাৰে পৰা, আহোমৰাজত্বৰ শেহলৈকে, ৰজাৰ ঘৰত, ফুকন, বৰুৱা, আৰু কাকতী পদৱী পাই আহিছিল। এওঁবিলাকৰ আদি পুৰুষ দুজনে ৰাজ চ'ৰাত কাকতী কাম কৰাৰ বাবে,এওঁবিলাক কাকতী নামে পৰিচিত। এওঁবিলাক কাঁড়ীৰ শাৰীত ভুক্ত হোৱা নাছিল। উচ্চ হিন্দু কায়স্থ জাতি বুলি এওঁবিলাকে পৰিচয় দিয়ে। এতিয়া বৃটিচ গৱৰ্ণমেণ্টৰ দিনতো এওঁবিলাকৰ সতি সন্ততিয়ে, নিজ প্ৰতিভাৰ বলত মুন্সুপী কামৰেপৰা সাধাৰণ মহৰী কেৰাণী কামলৈকে ভুক্ত আছে।

---

(১) এই খন পুথি, শ্ৰীযুক্ত কুলধৰ চলিহা বি, এল্. ডাঙৰীয়াই, শ্ৰীযুক্ত [illegible] ফুকনৰ পৰা নি প্ৰকাশৰ [illegible] গোস্বামীৰ হাতত দিছে। এই পুথিখন [illegible] পুথি শুনা গৈছে।

৺হলিৰামে, আহোমৰজাৰ বৰকাকতী পদৱী পাই ৰাজকাৰ্য্যত, কৰঙ্গাৰ চাৰিঙ্গীয়া গাৱঁত থাকিব লগা হয়। আৰু তাতে, এখেতে ৰাজদত্ত মাটিবাৰী পাই বসতি কৰে। এখেতে চাৰিঙ্গৰপৰা পুৰোহিত ৺ৰাপুৰাম কটকীক লগতে লৈ আহে। তেখেতৰ নাতিনীয়েক শ্ৰীযুক্ত ভোলানাথ কটকী এতিয়া যোৰহাটতে আছে। এখেতে ম'ৰা কাকতীৰ সুলক্ষণা কন্যা ৺ৰী ৰাধিকাক বিবাহ কৰায়। তেওঁবিলাকৰ সংযোগতে তিনটি পুত্ৰ, ঘনশ্যাম, হেমকণ্ঠ আৰু ভূধৰ, আৰু চাৰিটি কন্যা জন্ম হয়। কন্যাকিটিৰ ভিতৰত ৺ৰী বুলনী আইদেৱেই এটাই কেউগৰাকীতকৈ, গুণী আৰু ৰূপহী আছিল। এখেতক, বৰ্ত্তমান যোৰহাটৰ শ্ৰীযুক্ত দেবীচৰণ বৰুৱা বি, এলৰ ককাক ৺বলোৰাম কাঠবৰুৱাই বিবাহ কৰায়। দুগৰাকী, ভৰালী কাকতী আৰু মজিন্দাৰ বৰুৱাই বিবাহ কৰায়। বাকী ইগৰাকীৰ পোৱা নেযায়।— বোধ হয় তেখেতৰ অবিবাহিতাতে মৃত্যু হয়। ৺ঘনশ্যামেই দেউতাকৰ ৰবপুতেক আছিল। এওঁ, সৰুৰেপৰা এজন বিচক্ষণ লোক আছিল। এখেতে, নিচেই কোমল বয়সতে সংস্কৃত বিদ্যাত শিক্ষিত হৈ উঠিছিল। এখেতৰ চেহেৰা আৰু গাৰ-গঠন পচিমদেশীয় মানুহৰ নিচিনা বৰ শকত আৰত আছিল। এখেতৰ মূৰটো সময়ৰ সমনীয়া বন্ধু সকলোতকৈ ডাঙৰ আছিল। সেইবাবে এখেতক লগৰো খাৰঘৰীয়া ফুকনো বুলিছিল। কাৰণ, মূৰটো টপা আছিল। এখেতৰ গুণ বিদ্যাৰ কথা ৰাজ-চ'ৰাত জানিব হ'লত ৰজাই, ৺হলিৰাম বৰকাকতীক, পুতেকক ৰাজ-চ'ৰালৈ আনিবলৈ অনুৰোধ কৰে। ৰাজ-আজ্ঞা শিৰোধাৰ্য্য কৰি, বৰকাকতীয়ে পাচদিনাই পুতেকক ৰাজ চ'ৰালৈ লৈ গ'ল। আৰু পুতেকৰ গুণ বিদ্যাত ৰজা সন্তুষ্ট হৈ, পুতেকক চাংকাকতী বাব দিয়ে। ৺ঘনশ্যাম এজন সৰল হৃদয়ৰ লোক আছিল। তেওঁ, ৰাজ চ'ৰাত যি পয়চা পাইছিল, ঘৰলৈ উভতি আহোতে, বাটত দুখীয়া দৰিদ্ৰক বিলাই থৈ গৈছিল। এই দৰে ভালেমান দিন পাৰ হৈ যোৱাত, এই বাতৰি তেখেতৰ আইতাকৰ কানত পৰে। সেই কথা শুনি আইতাকে ৺ঘনশ্যামক পইচা বাটত বিলোৱাতকৈ ঘৰলৈ আনিবলৈ কয়। ইয়াৰ পিছত আৰু তেওঁ, মাকে কোৱাৰদৰেই পইচা ঘৰলৈ আনিবলৈ ধৰিলে। কাৰণ, তেওঁ পিতৃ-মাতৃৰ বাধ্য সন্তান আছিল। ৺ঘনশ্যামে চাংকাকতী পদৱী পাওঁতে, তেওঁৰ বয়স মাথোন তেৰ কি চৌধ বছৰ হৈছিল। এওঁ, কামত সোমাইও পঢ়া শুনা কৰি আছিল।

৺ঘনশ্যাম এজন ৰাজভক্ত আৰু কৰ্ত্তব্যপৰায়ণ লোক আছিল। গুণীৰ গুণ



বুজা ৰজাই, ৺ঘনশ্যাম চাংকাকতীৰ কামত সন্তুষ্ট হৈ, এখেতক খাৰঘৰীয়া ফুকনৰ পদৱী দিয়ে। খাৰঘৰীয়া ফুকনৰ পদৱী ছয় ফুকনৰ লগৰ। আৰু সেইমতেই, এখেতে, ৰাজ চ'ৰাত, মান মৰ্য্যাদা, বেটী বন্দী, আৰু খাট-পাম, পাইছিল। ঘৰৰ পৰা ৰাজ-চ'ৰালৈ অহা যোৱা কৰোতে ৰূপৰ চুলা দিয়া ৰৰজাপি পাইছিল। বেটী বন্দীৰ সংখ্যাও ১২০ ছ-কুৰিৰ কম নাছিল। খাটপাম,—চেকনীধৰা, আনগুৰি (তিতাবৰ), চাৰিং, ডিব্ৰুগড়, করুণাসাগৰ আদিত পাইছিল। ফুকনপদৱী পায়ে, যোৰহাটৰ চেকনীধৰালৈ, কৰঙ্গাৰপৰা ঘৰ তুলি আনে।

এখেতে খাৰঘৰীয়া ফুকনৰ পদৰ্প আহোম ৰজাৰ ৰাজত্ব যোৱালৈকে, ভোগ কৰিবলৈ পাইছিল। এখেতে ফুকন পদৱীৰ কাম নতুন ৰাজধানী যোৰহাটৰ ৰাজ চ'ৰাত পাইছিল।—ফুকন শব্দটিৰ অৰ্থ -আহোম ভাষাৰে, ফু-প্ৰধান, কন-মুনিহ, অৰ্থাৎ, দেশৰ এজন প্ৰধান মুনিহ। খাৰঘৰীয়া ফুকন অৰ্থাৎ, খাৰ, বাৰুদ, আৰু খাৰ-বাৰুদ তৈয়াৰ কৰা মানুহৰ তত্বাৱধান লোৱা। খাৰঘৰীয়া বিলাকৰ থকা ঠাই তেতিয়া যোৰহাটৰ চাৰিগাৱঁত, এওঁবিলাকৰ লগৰ কিছুমান ভাঁজী আৰু নামতীলৈ উঠি গল। দুখৰ বিষয়, এতিয়া কিছুমান খাৰঘৰীয়াই ফুকন বুলি পৰিচয় দিয়ে। যেনেকৈ আসামত দিনে বৰুৱাৰ সংখ্যা বাঢ়িছে; সেইদৰে খাৰঘৰীয়া বিলাকে ফুকনৰ সংখ্যা বঢ়াইছে। বৰ্ত্তমান, স্কুল, কলেজত পঢ়া এটাইবিলাক খাৰঘৰীয়াৰ লৰাই ফুকন উপাধি লৈছে। ইয়াকে কয়, "ৰজা নাইকিয়া খাটত, ধৰি কিলাই বাটত।" যাৰে যেনে ইচ্ছা তেনে উপাধি লিখিব পাৰিছে. কোনেও সোধোতা নাই।

যেতিয়া আসামৰ স্বাধীনতা সূৰ্য্য পচিম-আকাশত মাৰ গ'ল, নৰ-পিশাচ মানে আহি, আসামৰ ৰাজপাট অধিকাৰ কৰিলেহি, তেতিয়া আসাম দেশৰ আৰু বিষয়া প্ৰজা সকলৰ অবস্থা কেনে হৈছিল, তাক বঢ়াই নকলেও হয়। তেনে সময়তো ফুকন ডাঙৰীয়াই, নিজৰ অসীম বুদ্ধিৰ বলেৰে, ৰাজধানীতে থাকি, স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহক যুদ্ধৰ আহিলা পাতি, আৰু বয়-বস্তুৰে কেবাবাৰো সহায় কৰিছিল। বিশেষকৈ, মইগড়ৰ ৰণত। অৱশ্যে, প্ৰথমতে, তেওঁক মানে সুদাই এৰাহি নাছিল। শুনা যায়,তেখেতে, দুৰাচাৰ মানক, ডুপেৰা ৰূপ আৰু কিছুমান অলঙ্কাৰ দি ৰবি হে, সিহঁতৰ ভীষণ আসৰপৰা ৰক্ষা পাইছিল। আৰু বাহিৰে মানৰে সৈতে মিতিৰালি কৰি, ভালেমান অসহায় অবলা আৰু ল'ৰা ছোৱালীৰ প্ৰাণ ৰক্ষা কৰিছিল।

এনেতে মানে দৈ নুটিচ সিংহৰ পাত হাত দিয়াত, তেখেতে বুটিচ সেনাই,

সিহঁতক আসামৰ সিমুৰৰপৰা খেদি আনি ইমূৰে উলিয়াই, ইয়াণ্ডাবু সন্ধি কৰি, গোটেই আসামক সিহঁতৰ হাতৰপৰা উদ্ধাৰ কৰে। বৃটিচে মানক খেদোতে, প্ৰায় সকলো অসমীয়াই বৃটিচক সহায় কৰিছিল। আমাৰ ফুকন ডাঙৰীয়াইও, তেখেতৰ লগত থকা বহুত মানুহেৰে সৈতে বৃটিচৰ লগত যোগ দিছিল।

আসামৰ ৰজা-প্ৰজাই, মানৰ গচকনিত, কাল-কাল হৈ থকা দুখৰ বনৰ দৰে-দুখৰ নিশা পাৰ হৈ, বৃটিচদত্ত পুৱাৰ নিয়ৰত আকৌ ঠন্ ধৰি উঠিল। দেশত শান্তিৰ সমীৰণ মৃদু মৃদুকৈ ব'বলৈ ধৰিলে। ৰজা প্ৰজাৰ মুখত আনন্দৰ মৃদু হাঁহিৰ ৰেখাই দেখা দিলে হি।

মান যোৱাৰ পাচত, ভাৰতৰ গৱৰ্ণৰ জেনাৰেলৰ হুকুম মতে, আসামত, এজন কাপ্তান আৰু কিছুমান বৃটিচ সৈন্য থাকে। আৰু বৃটিচ কৰ্ম্মচাৰীয়ে, আসামত বন্দবস্ত কৰিবৰ কাৰণে, ৰাজকীয় কাৰ্য্যত হাত দিয়ে।—এনেতে আসামৰ ওপৰ থাপৰ বিষয়া সকলৰ ভিতৰত দুদল হয়। শুনা যায়, এদলৰ মতে, মিত্ৰ ৰাজ্যৰ দৰে, বৃটিচৰ লগত সম্বন্ধ ৰখা যুগুত। যাতে, দুনাই মান আহি আসামত উপদ্ৰৱ কৰিব নোৱাৰে। আন দলৰ মতে, আসাম আকৌ আগৰ দৰে কাৰো লগত সংস্ৰৱ নৰখাকৈ, স্বাধীনভাবে থাকিব লাগে। ওপৰত উল্লিখিত দলৰ লগত ফুকন ডাঙৰীয়া আছিল। এই দলৰ মত সৰহ ভাগ আসামৰ প্ৰজা আৰু বৃটিচ সিংহইও সমৰ্থন কৰিছিল। পাছৰ দলৰ সংখ্যা নিচেই কম আছিল। এওঁবিলাকৰ দলত ৺মনিৰাম দেওৱান আদি জনদিয়েক বিষয়া আছিল। অৱশেষে, তেওঁবিলাকৰ জনদিয়েক মানৰ পাছত দণ্ড হয়। পাছৰ দলৰ বিষয়া সকলে, তেওঁবিলাকৰ লগত, একে মত নোহোৱাত, ফুকনক বৰ বেয়া পাইছিল। আৰু এই আপাহতে ফুকনক ব্ৰহ্মপুত্ৰত স্নান কৰাবলৈ লৈ গৈ, নাৱঁৰপৰা গতা মাৰি নৈত ফুকনক পেলাই দিয়ে। ভাগ্যে কিছুদূৰ উটি যোৱাৰ পাছত, এখন বানদিয়াল তেলিৰ নাৱে, ফুকনক উদ্ধাৰ কৰি নগাৱঁত তুলি দিয়ে গৈ। নগাৱঁৰ এঘৰ সম্বন্ধীয়া মানুহৰ ঘৰত দুদিন মান থাকি, ফুকন জোৰহাটলৈ ৰওনা হ'ল।

ফুকন জোৰহাটত আহি উপস্থিত হ'লতে, ৰজাৰ ঘৰৰপৰা প্ৰজাৰ ঘৰলৈকে সকলো কথা বিদিত হ'ল। আৰু বৃটিচে তেওঁবিলাকৰ অনুসন্ধান ল'বলৈ সাজু হ'ল। ইতিপূৰ্ব্বেই ফুকন থকা দলৰ জয় হৈছিল। তেওঁবিলাকৰ অনুৰোধত, সগলেও পুৰন্দৰ সিংহক লক্ষীমপুৰ আৰু শিৱসাগৰত বছৰি এটা বৎসামান্য কৰ



স্থাপন কৰি ৰজা পতা হৈছিল। কিন্তু, পাছত পুৰন্দৰ সিংহই সেই টকা দিবলৈ অসমৰ্থ হোৱাত, গোটেই আসাম ৰাজ্য বৃটিচৰ দখলত পৰে।

ক্ৰমান্বয়ে বৃটিচৰ ৰাজ্য গোটেই আসাম ৰাজ্যই হ'ল।—তেতিয়া ফুকনক, জয় জয়তে, গৱৰ্ণমেণ্টে লক্ষীমপুৰৰ সদৰ ঠাই, ডিব্ৰুগড়ত, ফৌজদাৰি চিৰস্তাদাৰৰ পদৱী দিয়ে। তেখেতৰ কামত গৱৰ্ণমেণ্ট সন্তুষ্ট হৈ, তেখেতক মুন্সুপী পদলৈ উত্তীৰ্ণ কৰে। সেই সময়ৰ ডিব্ৰুগড়ত থকা বিনৰ চাহাব, তেখেতৰ এজন পৰম সুহৃদ আছিল। ফুকন ডাঙৰীয়া মুন্সুপী কামত এজন নিপুণ লোক আছিল। কিছুদিনৰ পাছত, তেখেতক এচিচ্‌টেণ্ট কমিচনাৰ কৰি ডিব্ৰুগড়ৰ পৰা নগাৱঁলৈ বদলি কৰে; ইয়াৰ পাচত তেজপুৰলৈ বদলি কৰে। তেজপুৰতে এখেতে পেন্সনলৈ জোৰহাটলৈ আহে। এখেতৰ মাহিলি পেন্সন লওঁতে ২০০ টকা আছিল।

আহোম ৰজাৰ দিনত তায়েক হেমকণ্ঠই ৰাজখোৱা পদৱী পাইছিল। পাছত গৱৰ্ণমেণ্টৰ দিনত মুনলীয়া ভায়েক ভূধৰ চৰাইদাহী মৌজাৰ মৌজাদাৰ হৈছিল।—মুঠতে ৰজাৰ দিনৰপৰা কোম্পানীৰ দিনলৈকে এঘৰ প্ৰখ্যাত মানুহ আছিল।

এখেতে চৰকাৰি কামৰপৰা অৱসৰ লোৱাৰ পাছতো, বহুত, মোকৰ্দ্দমা (গৱৰ্ণমেণ্টে পঠিওৱা) নিজৰ চ'ৰাতে মুদি দায় দিছিল।—ফুকন এজন অমায়িক লোক আছিল। তেখেতৰ সদ্‌গুণত, বহুত বন্ধু বান্ধৱ পাইছিল। সেই সকলৰ ভিতৰত, ডাঙৰীয়া দীননাথ বেজবৰুৱা, গজপুৰীয়া বৰুৱা, আৰু তামুলী ফুকন তেখেতৰ পৰম সুহৃদ আছিল। শুনা যায়, কেউ গৰাকী ডাঙৰীয়া যি দিনা একে ঠাইতে মিলন হয়, সেই দিনা তেখেত সকলৰ পৰম উৎসৱ।

ফুকন ডাঙৰীয়াই দুগৰাকী ভাৰ্য্যা বিবাহ কৰিছিল। প্ৰথম গৰাকী বাহৰঘৰ সন্দৰ জীয়াৰী, দ্বিতীয় গৰাকী ৺লোৱলী ডেকাবৰুৱাৰ ঘৰৰ।—দুই গৰাকীৰে সতি সন্ততি আছিল। প্ৰথম গৰাকীৰ পুতেক ৺গদাধৰ ফুকন, ডিব্ৰুগড়ৰ টেঙাখাটত মৌজাদাৰ আছিল। দ্বিতীয় গৰাকীৰ পুতেক ৺লম্বোদৰ ফুকন, ডিব্ৰুগড়ৰৰ কেছাৰিত মহাপেচ, ৰেকৰ্ড-কিপাৰ আদি কাম কৰিছিল।

মুন্সুপী কাম কৰি থাকোতেই, ফুকন ডাঙৰীয়াই ডিব্ৰুগড়ত এখনি ঘৰ কৰে, তাতে সৰুটো পৰিয়াল থাকিছিল, ডাঙৰটো পৰিয়াল তেখেতৰ লগত জোৰহাটত আছিল। তেখেতৰ মৃত্যুৰ পাচত সেই দৰেই দুই পৰিয়াল দুঠাইত থাকিল। জোৰহাটৰ বৰ পৰিয়ালৰ নাতি সন্তান, শ্ৰীযুক্ত পদ্মনাথ ফুকন, শ্ৰীযুক্ত কনকচন্দ্ৰ

ফুকন আৰু এগৰাকী জীয়াৰী ; সকটো পৰিয়ালৰ ডিব্ৰুগড়ত শ্ৰীযুত গণেশৰাম ফুকন, ৺যুত নীলমণি ফুকন বি, এ, আৰু এগৰাকী ছোৱালী বৰ্ত্তমান আছে।

এখেতে মুন্সুপী পদৰপৰা অৱসৰ লোৱাৰ পাচত, য়ুৰোপিয়ানবিলাকে আসামত চা-বাগিছা খোলা দেখি, এখেতেও এজন কেক্ৰাবাবুৰ সৈতে যোগ হৈ, ডিব্ৰুগড়ত দুই তিনিখন চা-বাগিছা খোলে। কিন্তু, দুৰ্ভাগ্যবশতঃ চলাব নোৱাৰি, অইনক বেচি দিবলৈ বাধ্য হয়। এখেতৰ মৃত্যুৰ লগে লগে সম্পত্তিও নষ্ট হয়।

ফুকনে জীয়াই থাকোতেই কৰুণাসাগৰৰ থাট ইস্তফা দিয়ে। মৃত্যুৰ পাচত, ভূধৰ মৌজাদাৰৰ মৌজাৰ সংস্ৰৱত, জোৰহাটৰ, কৰঙাৰ আৰু বালিগাৱঁৰ, বহুত মাটি বিক্ৰি আৰু নিলাম কৰিব লগা হয়। চাৰিঘৰৰ মাটি, কিবা উপায়েৰে ৺মুহিধৰ ডুবৰা চিৰস্থায়ীৰে লয়। ডিব্ৰুগড়ৰ সম্পত্তি সকটো পৰিয়ালৰ কিছুমান লয় পাই, বাকী যি হয় আছে। ইয়াৰ উপৰি তেওঁবিলাকৰ হাতীশালো মৰে। মুঠতে, দুই ঘৰৰ অৱস্থা বেয়ালৈ আহে। এতিয়া তেওঁবিলাকৰ অৱস্থা ভাল নহয়।

ফুকনে, মুন্সুপী পদত থাকোতে ৺পঞ্চতীয়া গোসাইত দীক্ষা লয়। কিন্তু তেওঁৰ সতি সন্ততি এতিয়া আকৌ ৺দক্ষদেৱ গোস্বামী প্ৰভুৰে ৺আউনীআটীলৈ নিলে।

তেখেতৰ ঘৰত সদায় পূজা সেৱা চলিছিল। ৺দুৰ্গোৎসৱ, ৺কালীপূজাও চলিছিল। বৰ্ত্তমান ৺কালীপূজা চলে।—জোৰহাটৰ ঘৰ পোৰোতে বহুত শালেগ্ৰাম আৰু পুথি পুৰিলে। যি বাকী শালেগ্ৰাম গোসাই আছিল, সেইবিলাক পূজাৰি বাপুসকলক ৺গঙ্গাধৰ শৰ্ম্মা উকিলক দিলে।

ফুকনৰ ডাঙৰীয়াই, সুদীৰ্ঘ জীৱন অতিবাহিত কৰি ৮৫ বছৰ বয়সত ১৮৮০ খৃঃ আঘোণ মাহত ইহলীলা সম্বৰণ কৰে। লগে লগে ডুবৰা কাকতীবংশৰ এপাহি পদ্ম ফুল, হঠাৎ অন্তৰ্ধান হ'ল।—ওপৰ আসামত সেই সময়ত খাৰঘৰীয়া ফুকনৰ ঘৰ, এঘৰ প্ৰতাপী জনাজাত মানুহ আছিল। ফুকন ডাঙৰীয়াৰ বিনয়, সৰল, দানশীল, আৰু মহান হিয়া আহি ন'বলগীয়া। এখেতে জীৱনৰ প্ৰত্যেক মাৰাত্মক বিপদত যি ধৈৰ্য্য অৱলম্বন কৰিছিল। তাক উঠি অহা ডেকা মাত্ৰই আহি লোৱা যুগুত।

শ্ৰীনকুলচন্দ্ৰ ভূঞা।

---



# কৃত্ৰিম তেজ।

## (ARTIFICIAL BLOOD).

ডাক্তৰে যে কেতিয়াবা কেতিয়াবা এজনৰ গাৰপৰা অইন এজনৰ গালৈ কোনো বিশেষ কাৰণত তেজ সঞ্চাৰণ কৰিব লগীয়াত পৰে, এই কথা বহুতে জানে। কিন্তু এজনৰ গাৰপৰা অইন এজনৰ গালৈ তেজ নিয়াটো বৰ শকত কথা। এনে কামত প্ৰায়ে বিপদ হোৱা দেখা যায়। ততোৱাল ডাক্তাৰ নহলে, যি জনৰ গাৰ পৰা তেজ নিয়া যায়, তেওঁৰ অলপৰ পিচতে মৃত্যুও হ'ব পাৰে।

অলপতে কালিফৰ্ণিয়াৰ অন্তৰ্গত চান্ ফ্ৰেণচিস্কোৰ ( San Francisco ) ডাক্তৰ জেমচ্ জে হগান ( Dr. James J. Hagan ) নামেৰে এজন ডাক্তৰে কৃত্ৰিম তেজ (Artificial Blood) আবিষ্কাৰ কৰিলে বুলি আৰ্থাৰ এল্, ডালে (Arthur L. Dahl) চিকাগোৰ ইলষ্ট্ৰেটেড্ ওৱৰ্ল্ড (Illustrated World) নামেৰে কাকত খনত লিখিছে। এই কৃত্ৰিম তেজ আচল তেজৰ সলনি মানুহৰ গালৈ সঞ্চাৰণ কৰিব পাৰি। এই তেজৰ কথা জুলাইৰ ১৬ তাৰিখৰ ষ্টেট্‌চ্‌মেন (Statesman) কাকতটো লিখিছে। তাৰ সাৰ মৰ্ম্ম তলত দিলোঁ।

যেতিয়া গাৰপৰা টো টো কৰে তেজ ববলৈ ধৰে, তেতিয়া তেজৰ ভিতৰত থকা ৰক্ত অণুকোষ ( Red corpuscles ) বিলাকৰ হানি হৈ নাইবা তেজৰ ৰাসায়নিক উপাদানৰ (constituents) বিশেষ ব্যাঘাত হৈ যে কিবা মহৎ অপকাৰ হৈছে এনে নহয়। কিন্তু তেজৰ পৰিমাণ যে টুটি আহে তাৰ পৰাহে মহৎ হানি হয় আৰু এই কথা সকলো ডাক্তৰে জানে। তেতিয়া তেজৰ হেঁচা ( Blood pressure) বেচি কৰি দিহে একমাত্ৰ ৰচাব পাৰি। তাকে কৰিবলৈ হলে গাৰ ভিতৰলৈ তেজ সঞ্চাৰণ (Transfusion of blood) কৰিব লাগে নাইবা তেজৰ সলনি চল্ট্ চব্‌ষ্টিটিউট্ † ( Salt substitute ) দিব লগীয়াত পৰে। কিন্তু যেতিয়া এজনৰ গাৰপৰা অইন এজনৰ গালৈ তেজ নিয়া যায়, তেতিয়া গাৰ পৰা গোটেই তেজ বাহিৰ হৈ (Transfusion of the whole blood)যাবলৈ বিচাৰে আৰু সেইহেতু তেজ বগাবলৈ বৰ টান হয় ; এই মস্কিলত পৰিয়েই ডাক্তৰ সকলে বেচি পৰিমাণে অনেক ৰকমৰ Salt solutionৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়াত পৰিছে। কিন্তু যদিও Salt solutionএ বৰ সুন্দৰ ফল দিয়ে তথাপি ই মাত্ৰ কোনো নিৰ্দ্ধাৰিত সময়ৰ নিমিত্তেহে তেনে কৰে। ইয়াৰ কাৰণ salt solution শিৰৰ ভিতৰত সোমাই আৱদ্ধ নেথাকে ; ইয়াৰ ভিতৰত থকা মুক্তপানী ( Free

---

† Salt মানে বহুতে নিমখ অৰ্থাৎ আমি সদাই ব্যৱহাৰ কৰা Sodium chloride বুজো। কিন্তু Chemically যে কিমান হেজাৰ বিধৰ Salt আছে, তাক নেজানো। আমাৰ বৰ্ত্তমান প্ৰবন্ধৰ Salt আৰু Chemical composition লেহে। গতিকে অসমীয়া কথাৰে অকাই পকাই চল্লেম, যি মানে বিকৃত কৰাতকৈ ইংৰাজী শব্দকে ব্যৱহাৰ কৰা গোৰ আৰু মন অনুযায়ী পাঢ়তো ব্যৱহাৰ কৰা যায়। Salt substitute ক "বদ ৰাক" বুলি দিলেও কথাটো বৰ ঠিক নেন নেলা গো।

water) শিৰেদি বিৰিঙ্গি হৈ (Percolating) মূত্ৰ স্থলীয়েদি (Kidneys) সৰকি যায়হে নাইবা গাৰ আঁহ বিলাকে এই পানী স্তুহি নিয়ে। এই কাৰণে আচল গুণ দিয়া ব্লড্‌চব্‌ষ্টিটিউট্ (Blood substitute) এনে এটা পনীয়া বস্তু হ'ব লাগিব, যাৰ গুণ তেজেৰে সৈতে প্ৰায় মিলে আৰু যাত মুক্তপানী (Free water) নেথাকে।

ইয়াকে ভাবি ডাক্তৰ হগানে এটা জিলাটিন্ চলিউচনেৰে gelatine solution পৰীক্ষা (Experiment) কৰে আৰু আশাস্বৰূপ গুণ থকা এটা নতুন Blood substitute উলিয়ায়। ইয়াৰ বিশেষ গুণ এই যে যেতিয়া ইয়াক শিৰৰ ভিতৰলৈ সঞ্চাৰণ কৰা হয়, যিমান দিনলৈকে আৱশ্যক, সিমান দিনলৈকেই তাতে থাকে; আৰু যাত স্বভাবিক তেজ হলেই ই লাহে লাহে নাইকিয়া হৈ যায়। স্ব স্ব ঘটনাত হগান চলিউচন্ ব্যৱহাৰ কৰাত কোনো অনিষ্টকৰ ফল হৈ যোৱা নাই। এই চলিউচন বিশুদ্ধ জিলাটিন্ (Pureat gelaline), চডিয়ম ক্ল'ৰাইড্ Sodium chloride—নিমখ) আৰু পৰিস্ৰুত জল (Distilled water) এই তিনটি উপাদানেৰে (constituents) গঠিত হৈছে। এই তিনিও একে লগ হলে গোট মাৰি পৰে আৰু আৱশ্যক নহয়মানে কাচৰ চুঙ্গাত (glass tube) ভৰাই থৈ দিয়া হয়। তৎক্ষণাত সঞ্চাৰণ কাৰ্য্যত আৱশ্যক হলে, কাচৰ চুঙ্গাত থকা জিলাটিন তপতাই গলাই (দ্ৰুলীয়া কৰি) লোৱা হয়। তাৰ পাচত শতকৰা ৯০০ গ্ৰাম চডিয়ম ক্ল'ৰাইড্ আৰু মোটে ২ গ্ৰাম চডিয়ম কাৰ্বনেট্ Sodium Carbonate) crystal) ক্ৰিষ্টেল থকা চলিউচনৰ ১০০০ এহেজাৰ• কিউবিক চেণ্টিমিটাৰৰ সৈতে মিহলি কৰা হয়;

অৰ্থাৎ তাতোকৈ উজু কথাৰে কবলৈ গলে ১,০০০ এহেজাৰ কিউবিক চেণ্টিমিটাৰ (= ১ লিটাৰ) বিশুদ্ধ পানীৰ (Chemically pure) লগত ৯ গ্ৰাম• চডিয়ম্ ক্লৰাইড্ আৰু ২ গ্ৰাম চডিয়ম্ কাৰ্বনেট্ ক্ৰিষ্টেল্ মিহলি কৰি তাৰ লগত ওপৰৰ কোৱা জিলাটিন মিহলোৱা হয়। তাৰ পাচত এই সকলো খিনিকে মানুহৰ তাপৰ সমান তপত কৰা হয়। এই কৃত্ৰিম তেজ হগানে (Dr. Hagan) আবিষ্কাৰ কৰা কাৰণে ইয়াৰ হগান চলিউচন্ (Hogan Solution) নামেও জনা যায়। তাৰ পাচত ডাক্তাৰ হগানে নিজ খৰচত দেশ ফুৰিবলৈ যায় আৰু সেই সময়ত জৰ্ম্মাণ গৱৰ্ণমেণ্টৰ পৰা তেওঁৰ নতুন আবিষ্কৃত প্ৰথাৰে পৰীক্ষা কৰি দেখুৱাবৰ নিমিত্তে তেওঁক নিমন্ত্ৰণ কৰে। জৰ্ম্মাণী আৰু ইংলণ্ডৰ হস্পিতেলবিলাকত তেওঁৰ এই নতুন আবিষ্কাৰৰ পৰীক্ষা কৰি দেখুৱায় আৰু সেই সেই দেশৰ সামৰিক বিভাগৰ চাৰ্জ্জন (Military Surgeon) বিলাকক এই কৃত্ৰিম তেজ তৈয়াৰ কৰিবলৈকো শিকাই থৈ আছে।

শ্ৰীদামোদৰ হাজৰিকা।

১০০০ কিউবিক চেণ্টিমিটাৰ = এক লিটাৰ।

• গ্ৰাম = ১৫·৪৩২ গ্ৰেইন।